শিক্ষা বিভাগৰ দ্বাৰা প্ৰাইজ আৰু লাইব্ৰেৰীৰ বাবে অনুমোদিত ।

মণি-মাণিক গল্প সম্ভাৰ

—প্ৰথম প্ৰয়াস—

অসমাপ্ত

শ্ৰীপ্ৰেমনাৰায়ণ দত্ত

প্ৰকাশক ঃ—

মণি-মাণিক প্ৰকাশ
উজানবজাৰ, গুৱাহাটী।

প্ৰথম প্ৰকাশ : ৫০০ শকাব্দ
দ্বিতীয় প্ৰকাশ : ৫০৬ শকাব্দ

মূল্য---এটকা

সৰ্ব্বস্বত্ব লিখকৰ দ্বাৰাই সংৰক্ষিত

প্ৰিণ্টাৰ ঃ—
শ্ৰীযোগেশ চন্দ্ৰ গোস্বামী
শ্ৰীগুৰুপ্ৰেছ মালিগাওঁ, গুৱাহাটী।

মণি-মাণিক, কড়ি-কোমল, বাস্তৱ কল্পনা নীৰস কঠোৰ
বাস্তৱেও সময়ত কল্পনাৰ মায়াপুৰীত সোমাই সাত
ৰজাৰ ধন মাণিকৰ পৰশ পাই সৰস আৰু মধুৰ
হয়। মণি-মাণিক কথা-মালাই তাৰেই
যোগাযোগ ৰাখি মাজে সময়ে ৰাইজৰ
আগত মুখ দেখুৱাবলৈ মৰসাহ
কৰিছে। বিচাৰৰ
ভাৰ পঢ়ুৱৈ
সমাজৰ।

দ্বিতীয় প্ৰকাশৰ দুষাৰ

প্ৰথম প্ৰকাশত পাতনি দিয়া নাছিলো। অবাবত দীঘল পাতনি দি পঢ়ুৱৈ সকলক আমনি দিয়া অন্যায়। বৰ্ত্তমান যান্ত্ৰিক যুগত মানুহৰ সময় নিচেই তাকৰ। দীঘল পাতনি মেলি সেই সময়ৰ অপব্যৱহাৰ কৰা অনুচিত।

কিন্তু দ্বিতীয় প্ৰকাশত কৃতজ্ঞতা জনাবলৈ এই দুষাৰ লিখিবলৈ বাধ্য হলোঁ। অসমাপ্ত প্ৰথম প্ৰকাশ শেষ হোৱাৰ আজি দুবছৰ পাৰ হৈ যোৱাতো প্ৰেছত দিয়া নাছিলো। কিন্তু অসমৰ সকলো ঠাইৰ পৰা কিতাপৰ অভাৱ প্ৰায়েই আহি থকাত আৰু চিঠিৰে বহুতে তাগিদ দিয়াত লৰালৰিকৈ ইয়াৰ দ্বিতীয় প্ৰকাশ উলিয়াবলৈ বাধ্য কৰিলে।

অৰ্ডাৰ দিওঁতা, চিঠি লিখোঁতা আৰু পঢ়ুৱৈ সমাজক আমাৰ আন্তৰিক কৃতজ্ঞতা আৰু শলাগৰ শৰাই নিবেদন কৰিলোঁ।

ৰাইজৰ পদৰজ

ভাদ—৫০৬ শঙ্কৰাব্দ

—প্ৰেমনাৰায়ণ—

কটন কলেজৰ ভূতপূৰ্ব্ব প্ৰিন্সিপাল, অসম সাহিত্য সভাৰ অন্যতম সভাপতি, বিলাতৰ চিঠি, ভেনিচৰ সাউদ, দদাইৰ পঞ্জী, Folk tales of Assam, ইত্যাদিৰ গ্ৰন্থকাৰ, স্বনামধন্য, প্ৰবীন সাহিত্যিক, চিৰতৰুণ,

পূজনীয়

শ্ৰীযুত জে, বৰুৱা, বাৰিষ্টাৰ-এট্-ল দেৱৰ

আশীৰ্ব্বচন।

শ্ৰীশ্ৰীশঙ্খ

অলপতে তিনিখন কিতাপ পঢ়ি সন্তোষ পাইছোঁ। এই কিতাপ কেইখনিয়ে আজিকালিৰ দেশৰ অৱস্থা, মানুহৰ প্ৰকৃতিৰ, স্বভাৱৰ ভাব সম্পূৰ্ণ প্ৰকাশ কৰিছে। মানুহৰ প্ৰকৃতি কোন কালে যাব ধৰিছে তাক জলজলীয়া ফট্-ফটিয়াকৈ পোহৰাই দেখুৱাইছে। লেখাকৰ লেখনীৰ যে ক্ষমতা আছে পঢ়োতাই কেফাকিমান পঢ়িলেই ততালিকে গম পাব। আৰু গোটেই খিনি পঢ়ি মই সন্তোষ পোৱাৰ দৰে সন্তোষ পাব। ভাটি কওঁ।

এই কিতাপ কেইখনিৰ লেখাকৰ নাম শ্ৰীযুত প্ৰেমনাৰায়ণ দত্ত। এওঁ কৰ্ম্মী। হোমিওপ্যাথী শাস্ত্ৰত পাৰ্গত। তেওঁৰ এই চিকিৎসা শাস্ত্ৰত নামযশ বিয়পি পৰিছে। ৰোগী আৰু জনসাধাৰণে তেওঁৰ প্ৰশংসা কৰে। যাক "হাতযশ" কয় তেওঁৰ সেই গুণ আছে। এতিয়া কিতাপ লেখিও সাহিত্য ক্ষেত্ৰতো যশৰ অধিকাৰী হৈছে। কিতাপবিলাক পঢ়িলেই মানুহে বুজিব যে মোৰ কথা সঁচা।

এতিয়া "কণ্ঠবোলৰ" কথা কওঁ। এই কিতাপটি ৰঙ্গমঞ্চত ভাওৰ নিমিত্তে উপযোগী হৈছে। সোনকালে ভাও দেখিম বুলি আশা ৰাখিলোঁ। কণ্ঠৰ অর্থ জানোহঁক। বোলৰ অর্থ হৈছে— হাই, কোৰ্হাল, কান্দোন। কণ্ঠৰ কান্দোন। আমি কান্দোহঁক কিয়? কেতিয়া? হৰ্ষতো কেতিয়াবা কেতিয়াবা কান্দোহঁক সঁচা। কিন্তু ই বিৰল। শোকত, দুখতহে মানুহে সচৰাচৰ কান্দে। কণ্ঠবোলত দুখৰ কান্দোনহে আছে। খাবলৈ নাই, পিবলৈ পানী নাই, গাত লবলৈ পিন্ধিবলৈ কাপোৰ নাই। উপায় নেপাই মানুহে দুখতে কান্দিছে। (এইবোৰ ৫।৬।৭।৮ গুণ দামেৰে কেতিয়াবা পাব পাৰি।)

এই দুখৰ মাজতো মাজে মাজে তেওঁৰ কাপৰ নিপুণতাই আমাক হাঁহিবলৈ সুযোগ, অৱসৰ দিছে। "কণ্ঠবোল" শব্দটিয়েই মোক হঁহুৱাইছে। আৰু কন্দুৱাইছেও। ইপিনে চাওক "কণ্ঠোবোল"। সিপিনে চাওক কন্ট্‌বোল। এই কন্ট্‌ৰোলেই আমাক কণ্ঠবোল দিছে। কিতাপখন পঢ়ি চাব—এই "কন্ট্ৰোলেই" আমাৰ ইংৰাজী নজনা মানুহৰ মুখত আকৌ কমতৌল হৈছেগৈ। "তৌল" হ'লগৈ জোখা, কম কমেই। কেঞাৰ (এই কেঞা শব্দটি আমি তাচ্ছিল্য, কি উপহাস ইতিকিং কৰি ব্যৱহাৰ নকৰোঁ। কোনো কোনো কেঞা ভদ্ৰলোকে এনে বুলি হেনো ভাবে, শুনিছো। সেই দেখি এইকথা উনুকিয়াইছোঁ। হেমকোষত আছে—২০০ পাতত—"কেঞা-কাঁঞা, এনেকৈও কোনোৱে লেখে—এওঁলোক পশ্চিমৰ পৰা অহা হেতু বোধহয় আগৰ কালত বৰ প্ৰখ্যাত কান্যকুব্জ দেশৰ মানুহ যেন ভাবি সেই নাম

দিয়া হৈছিল। পাচত সেয়েই তেওঁলোকৰ নাম হ'ল।" ইয়াৰ দ্বাৰাই বুজা যাব যে আমি তেওঁলোকক উপহাস কৰি কেএগ্রা নোবোলো। আমাৰ এওঁলোকক অপমান কৰাৰ ভাৰ মুঠেই নাই।) লগুৰা ল'বাৰ মুখত "কণ্ট্ৰোল" হ'লগৈ কমতৌল—জোখত কমতৌল দিলেই কণ্ট্ৰোল হ'ল।

কনট্ৰোল দফতৰ খানাৰ চাপ্ৰাছিয়ে তালৈ যোৱা মানুহক সাৱধান কৰি দি কয়—"ই কনট্ৰোল অফিস। ইয়াত খোজ কাঢ়োতেও কনট্ৰোল মাফিক খোজ কাঢ়িব লাগিব।" সজ উপদেশ। ঘৰত যেনেকৈ কথা কওঁহঁক, খোজ কাঢ়োঁ তেনেকৈ বাহিৰত, বিশেষকৈ গভৰ্ণমেণ্ট দফতৰত তেনে ব্যৱহাৰ কৰা ভাল নহয়। কৰিলে বিপদ। এই চাপ্ৰাছিটিৰ সকলোটি দাঁতেই গজিছে দেখোন।

শ্ৰীযুত প্ৰেমনাৰায়ণ দত্তৰ বহুগুণৰ ভিতৰত এটি গুণ হৈছে শব্দেৰে সৈতে লুকা-ভাকুৰ খেল-ধেমালি কৰি শব্দটিৰ আন অৰ্থ প্ৰয়োগ কৰোৱা, ইংৰাজীত যাক PUN কয়। এই Pun ক্ষমতা তেওঁৰ বৰ চোকা। "কণ্ঠবোল" "কমতৌল" ইত্যাদি কথাই তাৰ চানেকি। এঘৰত দুই বাল্টি পানী দিয়া আৰু পিচৰতে আন এঘৰত একে সংখ্যাৰ মানুহ থকা ঘৰত কুৰি বাল্টি দিয়া নক্সাটি হুবহু হৈছে।

কিতাপবিলাক পঢ়িলে পঢ়োতাৰ মনোভাবেই যেন আখৰে আখৰে লেখকে আঙুলিয়াই দেখুৱাইছে। পঢ়োতাৰ মনে কব "ময়ো দেখোন ইয়াকে কওঁ।"

"আশীৰ্বাদ" আৰু "হে হৰি সাৰশূন্য" কিতাপ দুখনিতো এতিয়াৰ ভাবতৰ "হবখোজা" আৰু "হোৱা" "বৰমানুহৰ" প্ৰকৃতিৰ চিত্ৰ হুবহু হৈছে। কণ্ঠবোলত কেঞা সাউদে মালা ঘূৰাই হৰিনাম, কৃষ্ণনাম, ৰামনাম জপি থাকোঁতে থাকোঁতে লছমন লণ্ডৱাক কনট্ৰোলৰ তথ্য বুজোৱাৰ কথা কোৱা হৈছে। "হে হৰি সাৰশূন্যতো" তেনে আৰু "আশীৰ্বাদ"তো তেনে চিত্ৰই আগবঢ়োৱা হৈছে। ঠিকাদাৰে ঠিকা লৈ যুদ্ধৰ সময়ত কি কাম কৰিছিল আৰু কেনে কাম কৰিছিল জল্‌জল্‌ ফট্‌ফট্‌ কৰি দেখুৱা হৈছে।

এই খিনিতে শ্ৰীৰামকৃষ্ণ পৰমহংস দেৱৰ কথামৃতত থকা এটি সাধুকথা মনত পৰিছে। দোকানী কেজনমানে এখন দোকানত প্ৰাতঃস্নান কৰি ফোট তিলক লৈ ডিঙিত তুলসীৰ মালা, সৰু এটি মোনাত মালা ভৰাই ঘূৰাই থাকি নাম লৈ আছে। দোকানলৈ বস্তু কিনিবলৈ মানুহ আহিলে এজনে কয় "কেশৱ কেশৱ" (কেসৰ) আন এজনে কয় "গোপাল গোপাল", তৃতীয়জনে কয় "হৰি হৰি", চতুৰ্থজনে কয় "হৰ হৰ।" দোকানলৈ অহা মানুহ কেজনে কয় "হৰি হৰি কি সাধু পুৰুষ। এওঁলোকৰ দোকানতেই বস্তুখিনি কিনোহঁক। দোকানীৰ কি আনন্দ—বস্তু বেচে! এই সাধুটি কিয়বা মনত পৰিল?

এই কিতাপ কেখনি পঢ়ি মোৰ বৰ ভাল লাগিছে। নিজেতো পঢ়িছোৱেই আনকো পঢ়ি শুনাইছো। তেওঁলোকে আৰু মই একেলগে পঢ়ি আনন্দ পাইছোঁ—এইখিনি লিখি সেই আনন্দৰ

অলপমান প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছোঁ মাথোন। আনকো কিতাপকেখন কিনি সেই আনন্দ পাবলৈ অনুৰোধ কৰোঁ।।

অসমীয়া সাহিত্যৰ ভৰাল চহকি কৰাৰ বাবে শ্ৰীযুত প্ৰেমনাৰায়ণ দত্তক ধন্যবাদ দিওঁ। পৰমেশ্বৰক খাটোঁ গ্ৰন্থকাৰৰ এই লেখনি শক্তি অটুট ৰাখি শ্ৰীযুত দত্ত দেৱক দীৰ্ঘজীৱী কৰক। এই কিতাপ কেইখনি আমাৰ এতেজাৰ মানুহৰ ভিতৰত নপঢ়া নিৰানব্বৈজনে পঢ়ি আনন্দ পাব নিশ্চয়। পৰমপিতা পৰমেশ্বৰে পৃথিৱীৰ মঙ্গল কৰক। ব্ৰহ্মকৃপাহিকেৱলম্।

অভিৰাম
গুৱাহাটী
২৩।১২।৫০

শ্ৰীজ্ঞানদাভিৰাম বৰুৱা

সূচী

১। ভকতেসে ভগৱন্ত
২। হাঁচি
৩। ডুগজ কাপোৰ
৪। বিচাৰ
৫। অসমাপ্ত

ভকতেসে ভগৱন্ত

কেইদিনমানৰ পৰাই মনটো ভাল নাছিল। ৰাতিপুৱা সাৰ পায়ো কলা ঘুমটিটো মাৰিম বুলি টোপনিৰ ভাও ধৰি পৰি আছোঁ,··

এনেতে শুনিলো, কাণৰ কাষতে কোনোবাই কাঁহৰ বাটি এটা একে কোবতে ভাঙিলে। চক্‌মক্ কৰে চকুমেলি চাই ভুল ভাঙিল। ভগা বাটিৰ শব্দ নহয়! স্বয়ং গৃহিণীৰ ঝঙ্কাৰ, কাঁহকো চেৰ পেলাই অন্তৰত বাজিছে। ভালকৈ বুজিলোঁ, পূৰ্ব্বকালৰ পৰাই কেলেই সুৰ-বিদসকলে সপ্তমৰ বেছি সুৰৰ ব্যৱস্থা ৰখা নাছিল।

কিন্তু সুৰৰ বিষয় ভাবিবলৈ মুঠেই সময় নহল। তেওঁৰ দ্বিতীয় ঝঙ্কাৰ সোঁ কাণেৰে বিন্ধি গোটেই মগজুৰ মাজেৰে গৈ বাওঁকাণেৰে ওলাই গ'ল। ক'লে "বোলো, কথা কাণত নোসোমায় নেকি?"

উত্তৰ দিম বুলি ভাবিছিলোঁ—নোসোমাৰ পাৰেনে? উপায় থকাহেঁতেন দেখুৱাই দিলোহেঁতেন যে ইকাণৰ পৰা সিকাণলৈ তেনেই ফুটা হৈ বতাহ চলাচল কৰিছে। কিন্তু চাহলৈ মনত পৰি উত্তৰ দিয়াৰ আশা এৰি এতিয়াই সাৰ পোৱা যেন দেখুৱাই কোমল সুৰত সুধিলো—"এঁ··················
কি কৈছা?····· ম্······"

"বোলো কৈ গৈছিলোঁ। নে নাই ল'ৰাটো চাবলৈ ? গোটেইখন শেতেলী যে তেনেই একাকাৰ কৰিলে, কোন বেটীয়ে ধুই দিব এতিয়া ? মই এইদৰে নোৱাৰো, নিজে নিজে চাহ কৰি খাই ভাতৰো বন্দবস্ত কৰকগৈ ভালে ভালে......নহলে......"

মনত পৰিল,—এৰা কৈ গৈছিলে হয়—কিন্তু টোপনিৰ লালসাত কথাষাৰলৈ কাণ দিয়া নহল। ভাবিলোঁ—ল'ৰাটো নো কি বদমাচ আৰু এঘণ্টা শুই থকাহেঁতেন তাৰ কি লোকচানটো হ'লহেঁতেন, অবুজ ল'ৰা।—তালৈ খঙো উঠিল যদিও খং দেখুৱাবলৈ সামৰ্থ্য নহল।

ধৰ্ফৰ কৰে উঠি বহি চকু মোহাৰি কলোঁ—"এ-হ্, হয়নে ? সাব পোৱাহেঁতেন, নিশ্চয়.....” কিন্তু চকু দুটা বেছিকৈ মেলিও সমুখত কাকো নেদেখি নিজৰ কথা নিজ কাণতে কেনেবা কেনেবা লাগিল।

উঠি গৈ মুখ হাত ধুলোঁ। মাকে ভাক ধুৱাই পখলাই আনি মোৰ কোলাত ঠেকেচা মাৰি থৈ হুকুম দিলে "নিচুকাব পাৰিলেও পাৰক, নহলে ডিঙিতে আঁৰি লৈ থাকক, বাপ চাইহে পো......মোৰ সময় নাই।" ভোৰ ভোৰাই গুচি গ'ল।

ল'ৰাক শান্ত কৰিলোঁ। ভাবিলোঁ—এৰা, তেওঁৰ গাতো দোষ নাই। লগুৱা লিকচৌ পোৱা নেযায়। পালেও এই যুদ্ধৰ বজাৰত হাতী পোহাৰ সমানেই খৰচ। তাৰোপৰি চাবে তিন টকাকৈ দিন হাজিৰাত খাটিব এৰি কোনে সাত

টকা দৰমহাত চাকৰ খাটিবলৈ আহিব? কাৰবাক কেতিয়াবা চাপ্ৰাচী কৰাই দিম বুলি প্ৰলোভন দেখুৱাই আনিলেও গৃহিণীৰ তীক্ষ্ণ শৰত জৰ্জ্জৰিত হৈ দুদিনতে.........থাওক বাৰু ঘৰৰ কথা পৰক নকওঁ—যি কৰ খুজিছিলোঁ......

চাহ পিয়লা আনি দিলে। খালোঁ হয়, কিন্তু পানী উতলিছিল বুলি বিশ্বাস নহল। চাহ খাই গা আৰু মনৰ জড়তা নেভাগিল মুঠেই, কিন্তু আন এপিয়লা খুজিবলৈকেও সাহ নকৰিলো।

ক্ষুণ্ণ মনেৰে ভয়ে ভয়ে এবাৰ কলোঁ—"পোনাকণক ধৰাচোন, মোৰ ফাইল কেইটামান,......"

নেপথ্যৰ পৰা হুকুম আহিল "ৰাখিব নোৱাৰিলে ফাই-লৰ লগতে বান্ধি থওকগৈ। দিনে নিশাই কেৱল ফাইল, ফাইল......বোলো ওৰে দিনটো অফিচত কিডাল কৰে যে ঘৰতো ফাইল লৈ বহি থাকিব লাগে? কোন বেটীয়ে ঘৰৰ কাম কৰিব হৌ? আকৌ দহ বজাতে ভাত......"

শুনিবলৈ মন নগ'ল। কেচুৱাটো কোলাত লৈ চ'ৰাত বহিলোঁ গৈ। অলপ সময় বহি মনটো থিৰ কৰি ললোঁ। কেচুৱাই কান্দিছিল নিচুকালো। মনত পৰিল ফাইলৰ কথা। ল'ৰা নিচুকাই বহি থাকিলেতো নহব। যিহে ছিঃলঠিয়াৰ পালত পৰিছোঁ। এনেয়ে গিলি থব খোজে।

সি হেনো বহুত মন্ত্ৰ আৰু যোগানৰ ফলত এই হাকিম ৰাবটো পাইছে। তাৰ লগত লিকপাম। এজনাচৰ

থাকিলেতো কথাই নাই, বাহিৰতো তাৰ শেন-দৃষ্টি শনি গ্ৰহৰ দৰে সদায় মোৰ ওপৰতে থাকে। গোচৰীয়া, পদকীয়া নাইবা অইন কাৰোবাৰ লগত কথা এষাৰ পাতিলেই যেন অৰ মূৰত বজ্ৰপাত হয়। এনেকি, কোনোবা মানুহে কেতিয়াবা আহি মোৰ পাছফালে থিয় হলেও জগৰ।

আগৰবিলাক হাকিম এনেকুৱা চকু-চৰহা বিধৰ নাছিল। তেওঁবিলাক আছিল ভদ্ৰলোক। ইপিনে যুদ্ধৰ বজাৰত চৰকাৰে ভঙনীয়া পইচাবোৰ বন্ধ কৰিও ভালেই কৰিছিল। মানুহে ভঙনীয়াৰ অভাৱত সিকিটোৰ ঠাইত ৰূপ-এটকা জেপত সুমুৱাই দিবলৈ বাধ্য হৈছিল। চলিছিল ভালেই, দিনটোতে ......নাই গোপন কথা নকওঁ।

কিন্তু ইয়াক নো কোনে হাকিম পাতি দিলে! আকৌ আক্ৰোশটোনো মোৰেই ওপৰত পৰিব পায়নে? শুনিছো, সি হেনো উকীল থাকোতে কেৰাণীবোৰে তাক 'কেয়াৰ' নকৰিছিল। এতিয়া যুদ্ধৰ বজাৰত অতিৰিক্ত হাকিম হৈ তাৰেই প্ৰতিশোধ লব খোজে আৰু অইন এজনকো নাপাই মোৰে ওপৰত জাত ক্ৰোধৰ পোতক তুলিছে।

তাৰ সমুখত্তো উপায়েই নাই, সৰুবিধ কৰা আৰু চাহ খোৱাৰ চেষ্টুলৈ ছুই-চাবিবাৰ বাহিৰলৈ গৈ কৰবাত সিকিটো আধলিটো চেষ্টা কৰিম, সিয়ো তাৰ অসহ্য। বোধহয় সেইবাবেই এবাৰ সৰুবিধ কৰিবলৈ আৰু এবাৰ চাহ খাবলৈ যোৱাৰ বাহিৰে এজলাচ এৰি নাযাবলৈ বৰচাহাবৰ হতুৱাই হুকুম কৰাইছে।

একোবাৰ ভাবোঁ,—আৰু ডুবাৰমান ওলাই গ'লেইনো কি ভাল কৰিব ? বৰ বেছি ৰিপোৰ্ট ; কৰক ৰিপোৰ্ট, 'কেয়াৰ' নকৰো। কিন্তু আজি-কালিৰ এই দেশী ডি, চি, বোৰে কৈফিয়ৎ বিশ্বাস নকৰে। থকাতেঁতেন হেগুৰচন চাহাব !! এতিয়া ভয় হয় 'লঠিয়াৰ' ৰিপোৰ্টৰ ঠেলাত যদি ইয়াৰপৰা ঠেলি নি আন ঠাইত দিবলৈ লাগিল তেনেহলে আধ্যাই পৰিব। মাখিটো মকৰাটোৰ বাহিৰে......

কিন্তু যি কবলৈ খুজিছিলোঁ।—অফিচত হাকিমৰ বিষ-দৃষ্টিপাত, ঘৰত ঘৈণীৰ উৎপাত।... কাচাৰিলৈ গ'লে তাৰ হুঙ্কাৰ ! ঘৰলৈ আহিলে এওঁৰ ঝঙ্কাৰ !! এই উভয় সঙ্কটত পৰি কক্‌বক্ কৰি পাৰ নোপোৰা হৈছোঁ।

ফাইললৈ মনত পৰাত চিন্তাৰ বোজাটো জোকাৰি পেলাই, ভিতৰলৈ গৈ ফাইলৰ বোজাটো এহাতে আৰু কেচুৱাটো আন হাতেৰে কোলাত লৈ আকৌ চ'ৰালৈকে আহি ৰহিলোঁ। ইয়ালৈ ওলাই আহি বহাৰ উদ্দেশ্য মহৎ,—বাৰু, কেতিয়াবালৈ ক'ম।

মেজৰ ওপৰত ল'ৰাটো বহুৱাই থৈ ৰঙীন পেঞ্চিলডাল তাৰ হাতত দিয়াত ৰঙতে মুখত সুমুৱাই লৈ সি চুহিবলৈ ধৰিলে। ময়ো বিড়ি এটাকে হুপিবলৈ ধৰিলোঁ।

ভাগ্য সুপ্ৰসন্নকে বুলিব লাগে। সিদিনা মিছাকৈ ভয় দেখুৱাই খেদোৱা নেপালী মহাজন গৰাকীয়ে আহি চালাম দিলে।

গম্ভীৰ হৈ তাৰ হাতলৈ চালোঁ। সুদা হাত। বুজিলোঁ, নিশ্চয় ৰেঙ্কৰ মহৰিটোৱে তাক ফুচুলাইছে। মহৰিলৈ খং

উঠি মনতে হুমিয়ালোঁ, দেখিম বাপেকে হোমেশ্বৰ মহৰিক— সি কিমান পানীৰ মাছ—

মহাজনে আগবাঢ়ি আহি এটকীয়া নতুন নোট ছুখিলা মোৰ সমুখত মেজত থলে। অন্তৰখন আনন্দতে উপচি পৰিল। চাই যাওকহি ছিলঠিয়াই এতিয়া !!! মনতে তাকো বুঢ়া আঙুলি দেখুৱালোঁ—

মুখখন অলপ পোহৰ কৰি ইমান পৰলৈ নমতাৰ কৈফিয়ৎ হিচাপে কলোঁ—“যিহে কানৰ ঠেলা পৰিছে···পিছে কি খবৰ মহাজন ?”

ভাবিলোঁ, তুমি ক'ম নে আপুনি ক'ম। কিন্তু যেয়ে এই ছুৰ্দ্দিনত ছুটকা ৰূপ নগদ ঘৰতে আনি দিছে তাক আপুনি কোৱাহে ভাল।

সি মাত লগালে “পেচ্‌কৰ বাবু, অজি মুৰ মমলাৰ দিন অছে। অপুনি চাবা। মুই অপুনাকে কি কোন বাবু···”

নজনা ভাও ধৰি কলোঁ। “অ'—হয় নেকি ? বাৰু, বাৰু,··· কিন্তু আপোনাৰ কেচটো বৰ বেয়া মহাজন, আৰু হাকিমটো বৰ কঢ়া। তেওঁৰ হলে মুঠেই ইচ্ছা নাই। কেৱল মোৰ বাবেহে···ভাল বাৰু, মই বৰ চেষ্টা কৰিম। আপুনি ঠিক দুহ বজাতে হাজিৰ হবগৈ।”

“ভাল, পেচ্‌কৰ বাবু, মুই অহিলো, এতিয়া অকো উকীল বাবুৰ ঘৰলৈ যাম।” চালাম কৰি সি গুলাই গ'ল।

ল'ৰাকণে একাণপতীয়াকৈ পেঞ্চিলকে চুহিছে। কোনে জানে, কি অমৃতৰ সোৱাদ পাইছে! আধা পোৰা বিড়িটো দাতেৰে কামুৰি ধৰি খুচি মনেৰে কাগজবোৰ ফাইলৰ লগত মিলাই বান্ধিব ধৰিলোঁ।

এনেতে দুৱাৰৰ সমুখত জয় দিয়া শুনিলো "জয় গুৰু শঙ্কৰ মাধৱ, দেৱ দামোদৰ, হয়গ্ৰীৱ মাধৱ, হৰিদেৱ মহাপ্ৰভু।"

মূৰ তুলি চালোঁ। ৰুদ্ৰাক্ষৰ মালা পিন্ধা, কপালে, নাকে, কণ্ঠে, বাহুৰে আৰু বুকুৰে বগা চন্দনৰ ফোট লোৱা, হাতত দীঘল জোং টোকোন আৰু কৰতাল এজোৰ লৈ ভকত এজনে জোৰেৰে টোকোন ডা'লেৰে মাটিত খুন্দা মাৰিছে।

সমুখত থকা নেপালী মহাজনৰ নোট দুখনলৈ চকু পৰি মনটো আকৌ অলপ জুৰ পৰিল। ভাবিলোঁ, ৰাতিপুৱাৰ আলহী (মগনীয়া) ভকত, গাত ইমানবোৰ চন্দনৰ ফোট! কথা এষাৰ নাপাতিলে কিজানিবা দোষেই চোৱে। হাতে আজি বহনিটোৱো হৈছে ভালেই। মাত লগালো—"ক'ৰ পৰা আহিলা ভকত?"

"ক'ৰ পৰানো অহা বুলি ক'ম দেউতা? আমাৰনো ক'ত থান-থিত আছে দেউতা? প্ৰভুৱে টানি আনিলে দেউতা। তেখাৰ ইচ্ছা···জয় গুৰু···ঘোষাতো কৈছে নহয় দেউতা-কৰিও হৰিৰ নামেসে ৰতি—এতেকে আমি তেখাৰ নামগুণ গাই ফুৰোঁ। কিনো ক'ম দেউতা, তেৰাৰ মহিমা অপাৰ

বোলে ভকতেসে ভগৱন্ত নাহি তাৰ আদি অন্ত, বেদেও নপাৰে যাব সীমা—আমি তেৰাৰ দাসৰো দাস, গোলামৰো গোলাম দেউতা…”

“কিন্তু মোৰ মনেৰে……”

মুখৰ কথা কাঢ়ি নি ভকতে ক'লে “তেবা সৱে তাহানিয়েই লিখি থৈ গৈছে নহয় দেউতা বোলে ভকতেসে বৰ সখি ভকতেসে বৰ; ভকতত ভজিলে গুছয় কৰ্ম্ম জ্বৰ। শ্ৰীকৃষ্ণৰ নিজ মুখৰ বাণী দেউতা—কিন্তু আমি মহামূৰ্খ দেউতা সিমান শাস্ত্ৰ কথা কাণত পৰশ নকৰে। এতেকে আমাৰ মহাপুৰুষৰ ফাকিকে গাই ফুৰোঁ দেউতা—ভকতেসে ভগৱন্ত…”

ল'ৰাকণলৈ চাই নিজে নিজে কৱলৈ ধৰিলে আয়ে “দেহি! গোপাল, সাক্ষাত গোপাল” সুৰ লগাই গালে “আঠু কাঢ়ি বিঙ্গি পাৰি ফুৰা ব্ৰজ মাজে…সোণৰ ঘুংগুৰাচয় কঙ্কালত বাজে…”

টোকোন আৰু কৰতাল জোৰ বেঞ্চিখনতে থৈ হাত মেলিলো তেতিয়াহে দেখিলোঁ, পিঠিৰ ফালে ভোট মোনা এখনো আঁৰি লোৱা আছে।

ডিঙিৰ ৰুদ্ৰাক্ষৰ মালাবোৰ খোৱাৰ আশাতে হবলা, পোনাকণেও হাত মেলিলে। খুচি মনেৰে হাঁহি হাঁহি কোলাত লৈ তাক চুমা খাই ভকতে কবলৈ ধৰিলে “অবুজ ল'ৰা, সাক্ষাত ভগৱন্ত দেউতা, অৱতাৰ!” সুৰ লগাই গালে “পুতুনা ৰাক্ষসী আহি দিলে বিষস্তন…”

কৰলৈ হলে মনটো অলপমান ভালেই লাগিছিল। এই সুবিধাতে যদি কাগজবোৰ ফাইলগত কৰিব পাৰোঁ,—বেঞ্চিখনলৈ আঙুলিয়াই কলোঁ—"বহা ভকত..."

বোধহয় নকলেও বহিলেহেঁতেন। কেচুৱাটো কোলাত লৈ বংমনেৰে বহি আকৌ শিশুলীলাৰে মাজৰ পৰা দু-একাকি গাবলৈ ধৰিলে। সেইবোৰ শুনিবলৈ মোৰ সময় নাছিল।

মনোযোগেৰে নিজৰ কামত লাগিলোঁ। কাম বিশেষ ডাঙৰ নহয় যদিও জৰুৰী। চমনবোৰ আজিৰ তাৰিখৰ কেচৰ ফাইলৰ লগত লগ কৰিব লাগে। অৱশ্যে চমনবোৰ হাতত পৰাৰ লগে লগে কাচাৰিতে এই কেৰাও কৰি থব পাৰি কিন্তু...নালাগে, নকওঁ, কেনেবাকৈ উভয় অভিভাৱকৰ কাণত পৰিলে নিস্তাৰ নহব।

ভকতে ল'ৰাৰ লগত 'মচগুল' মই কামত নিমগন। এনেতে মইনা অৰ্থাৎ ডাঙৰ ছোৱালীজনীয়ে আহি কাপোৰত ধৰি টানিলে।

"দেউতা! আহা, এতিয়াই, মায়ে মাতিছে...কিবা আনিব লাগে।...আহা আকউ...দেউতা...আহিলানে?" আকৌ টানে।

বিৰক্ত হৈ কিবা কবলৈ মুখ মেলিছিলোঁয়েই, কিন্তু ৰাতিপুৱাৰ ঘটনা মনত পৰি বুকুখনত শব্দ হ'ল টিপ্লিং... আকৌ কোনপাত শৰৰ সন্মুখীন হব লাগে!

অগত্যা ভিতৰলৈ খোজ ললোঁ। বলিৰ পঠাৰ দৰে ছোৱালীজনীয়ে চুৰিয়াত ধৰি টানি নিছে। এখোজ,

তুখোজ কৰে গৈ মাকৰ সমুখ পাইছোঁহে মাথোন। কি বুলি সম্ভাষণ কৰিম ভাবি পোৱা নাই।

তেওঁ মোৰ ফালে চাই চিঞৰ মাৰি উঠিলে "পোনাকণ? মোৰ ল'ৰা ক'তা? ক'ত এৰি আহিলে?" প্ৰায় ষষ্ঠ আৰু সপ্তমৰ মাজতে বাজিল।

অপৰাধীৰ দৰে কাঠ হাঁহি মাৰি কলোঁ। 'অ'—পোনা-কণৰ কথা? সৌ ভকতৰ কোলাতে ধে-ধেমা···" ঢোক এটা গিলি সুধিলোঁ। "পিছে কেলেই মাতি "

অষ্টমকো চেৰ পেলাই বাজিল "ভকত! কি ভকত!! ক'ৰ ভকত?? হায় হায় খালেঐ পোনাকণ ঐ ভকত নে ৰাক্ষস ঐ! এই ডালৰ নো কাহানিকৈ বুদ্ধি বিবেচনা হব ঐ··· ইয়াকে কয় 'বাপ্ ঢোৰা সাপ'। আনক, আনক. এতিয়াই, এই মুহূৰ্ত্ততে লৈ আহক গৈ। যদি ৰাখিব নোৱাৰে নিছিলে কেলেই মোৰ ল'ৰা হৈ?"

উত্তৰটো উতলা পানীৰ দৰে কণ্ঠলৈ উঠি আহিছিল, কিন্তু গিলি থলোঁ। একে অৱস্থাতে থিয় হৈ আছোঁ।

"বোলোঁ শুনিছেনে নাই? ল'ৰা ৰাখিব নোৱাৰে যদি ছুচুব মোৰ ল'ৰা আজিৰ পৰা। শপত দিছোঁ। চাওঁ মই নিজেই আনোগৈ।" চ'ৰালৈ বুলি চোঁচা ললে।

কোনোমতে বাট আগুৰি প্ৰথমে ময়েই ওলাই গলোঁ। "চাওঁ ভকত ল'ৰা কণক দিয়া, মাকে···" বুলি চৰাৰ ভিতৰ সোমালোঁ।

কিন্তু ক'তা ভকত ? চ'বা শূন্য। হায়, হায়—সোনা-কণ ? আছে, সৌ মেজৰ তলত পেচাপ কৰি হাতেৰে মচিব ধৰিছে। জীৱটো ঘূৰাই পালোঁ। ভাবিলোঁ, ঠিক কথা ভকতেসে ভগৱন্ত।

ল'ৰাটো আথে-বেথে তুলি আনি চুবিযাৰে হাত, ভৰি, গা মচি দি চুমা এটাও খালোঁ।

তাৰ ডিঙিৰ ফাললৈ চকু পৰিল। সোণৰ লকেটটো ? উস্ ৰাম, লকেটটো নাই, এতিয়াই আছিল বুকুখনে ধান বানিব ধৰিছে। ভিতৰ ফাললৈ চালোঁ, তেওঁ অহা নাই।

মনত পৰিল, মহাজনে দিয়া নোট দুখনৰ কথা। কাগজ পত্ৰ, ফাইল লণ্ডভণ্ড কৰিলোঁ। নোট নাপালো।

স্থিৰ কৰিব পৰা নাই এতিয়া মোৰ কৰ্ত্তব্য কি ? ভিতৰলৈ যাম ? উহুঁ অসম্ভৱ। ভকতক খেদিম নেকি ?

তাক লগ পোৱা ?

তাৰ গীতৰ্বাৰে এতিয়াও বজ্ৰধ্বনিৰ দৰে কাণত বাজিব লাগিছে—ভকতেসে ভগৱন্ত ..

হাঁচি

বি, এ, পাছ কৰি যেনিবা মহা সমুদ্ৰতহে পৰিলোঁ। কোনোফালে পাৰ নেপাই টলং-ভটং অৱস্থা অৰ্থাৎ ভকতীয়া ভাষাত কবলৈ হলে—ইকুলো নভেলো গুৰু সিকুলো নভেলো, মাজ সাগৰে গুৰু জাজী হৈয়া ৰৈলোঁ। .

গোন প্ৰথমে বন্ধু-বান্ধৱ, মিতিৰ-কুটুমে আদৰ-সাদৰ কৰিছিল যদিও দুদিনৰ পিছতে যেতিয়া দেখিলে যে চাকৰী বাকৰি নাপাই বহি ঘৰৰ চাউল ধ্বংস কৰিছোঁ তেতিয়া সকলোৱে অৱজ্ঞাৰ ভাব দেখুৱাবলৈ ধৰিলে। নিজ ঘৰতো একে অৱস্থা।

নিৰুপায় হৈ ঘৰৰ পৰা গুছি আহি অগতিৰ গতি ল কলেজতে ভৰ্ত্তি হলোঁহি। লগতে অকস্মাৰ কম্ম ইন্সিওৰেন্সৰ এজেন্সী এটাও ললোঁ।

প্ৰথমটোত মন নবহিল। কাৰণ মোৰ বন্ধু এক লগৰ প্লেয়াৰ, নতুনকৈ হোৱা উকীল এজনৰ দুৰৱস্থা দেখি আৰু গুৰুৰ মুখে প্ৰেক্টিচৰ বৰ্ণনা শুনি মনৰ উৎসাহ পানীত বুৰ মাৰিলে।

আকৌ দ্বিতীয়টোত সুবিধা কৰিবলৈ গৈয়েই অপাৰগ হলোঁ। কাৰণ যিমানেই সাৰুৱা বক্তৃতা আৰু বহুমূলীয়া উপদেশ বিনামূল্যতে বিলাওঁ, সিহঁতৰ দেখোন গা নুঠে হে নুঠে। কটা মোৰ হে যেন বোপাইৰ শৰাধটো কৰিবলৈ খাটছো!

নিতৌ নতুন উত্তৰ কিমান শুনিবা ? আজি সময়কে নাপাওঁ —কাইলৈ ভাবিহে চাম বাৰু—পৰহিলৈ সম্প্ৰতি নোৱাৰিছোঁ, তাৰ পিছদিনা গলে কব—মই আপোনাক ৰড দিছোঁ, যেতিয়াই কবাওঁ আপোনাৰ তাতে কবাম আৰু মই নিজেই আপোনাক মতাই আনিম ।

ৰড ত বিশ্বাস কৰি বৰ আশালৈ বহি থাকোতেই দুই এদিন পিছতে খবৰ পাওঁ যে তেওঁ অইনৰ হতুৱাই কৰালেই। কিজানোবা মিছা বুলি লৰালৰিকৈ গৈ লগ ধৰিলে কব—অ' আপুনি আহিছে মই এটা ইঞ্জিওৰেঞ্চ কৰালোৱেই। বাৰু যদি কেতিয়াবা আকৌ পাৰোঁ ভাবি ”

ৰড ৰ ভেলু দেখি মনতে অশ্লীল ভাষাৰে তাৰ সাত পুৰুষৰ শ্ৰাদ্ধ কৰি গুচি আহি সেই দিনাই এজেন্সী ইস্তফা দিলোঁ।

কিন্তু এতিয়া কৰা যায় কি ? চাকৰি বিচাৰি এবাৰ নহয়, দুবাৰ নহয় বাৰে বাৰে বেকিওৰ অভাৱত ফেল মাৰি তিতালাগি আছে। ভাবিলেই বমি হব যেন লাগে।

উপায় নাপাই খাদৰৰ পাঞ্জাবীটো গাত সুমুৱাই লৈ কংগ্ৰেছ অফিচলৈ বুলি খোজ ললোঁ। মনতে ভাবিলোঁ টুপী এটাও কিনি আনি পিন্ধি অহাহেঁতেন ভালেই আছিল। মনত 'আফচোচ' হ'ল, যদি গান্ধী টুপী নিপিন্ধা দেখি খাটি কংগ্ৰেছী বুলি নাভাবে। বাৰু দেখা যাওক, ৰেহৰূপ চাই দৰ্কাৰ দেখিলে সন্ধিয়ালৈ টুপী এটা কিনা একো টান কথা নহব। নিজৰ

চিন্তাত মগ্ন হৈ গৈ আছোঁ। কংগ্ৰেছ অফিচ পাবলৈ আৰু কেইখোজমানহে আছে। সমুখৰ ফালে মটৰে হৰ্ণ বজালে। মূৰ নোতোলাকৈয়ে একেবাৰে নৰ্দ্দমাৰ ওচৰ পালোঁগৈ। কিন্তু মটৰ খনে কেৰ্-কেৰ্-কেৰাৎ কৰে মোৰ বাট আগুৰি থিয় হ'ল।

খং উঠি মনতে অশ্লীল গালি এটা উচ্চাৰণ কৰি আকৌ আলিৰ মাজেৰে যাওঁগৈ বুলি খোজ লৈছোঁ।—

মটৰৰপৰা মাত লগোৱা শুনিলো—"কোন? আমাৰ তামুলী নে?"

মূৰ তুলি চালোঁ। পিছৰ গাদীৰ বাওঁ চুকে বহি কথা কৈছে আমাৰ ভূঞা ডাঙৰীয়াই। আৰু গাদীৰ বাকীখিনি ঠাই জুৰি তেখেতৰ গাৰ কাষৰপৰা আউজাই থোৱা এটা কাপোৰৰ—বোধ হয় লেপৰ টোপোলা। লেপ্ৰালাৰ ঘৰৰ পৰা আহিলে চাগৈ।

ভাবিলোঁ—মিছাতে সাপদীয়াটোৰে মাতি যাত্ৰাটো নষ্ট কৰিলে। কংগ্ৰেছ অফিচলৈ এবাৰ চালোঁ। ভদ্ৰতা ৰাখি উত্তৰ দিলোঁ—এৰা, ময়েই স্যাৰ।

মোক আপুনি, তুমি নে তই বুলি সম্বোধন কৰিব স্থিৰ কৰিব নোৱাৰি সত্ৰীয়া ধৰণেৰে সুধিলে "পিছে কোন ফালে খোজ লোৱা হৈছে?"

বুকুখন অলপমান ফিন্দাই দি গৰ্ব্বিত ভাবেৰে উত্তৰ দিলোঁ।— "সৌ কংগ্ৰেছ অফিচলৈ যাব খুজিছোঁ স্যাৰ।"

ব্যস্তভাবে আগ্ৰহেৰে তেখেতে সুধিলে "কংগ্ৰেছ অফিচলৈ? কেলেই পঢ়া-শুনা এৰি সম্প্ৰতি ভলন্টিয়াৰগিৰি কৰা হৈছে নেকি?"

দৃঢ় ভাবে উত্তৰ দিলো—"পঢ়া শুনা এৰি দিয়া নাই সম্প্ৰতি ল পঢ়িছোঁ। ভলন্টিয়াৰনো কেলেই হ'ম, হলে কেতিয়াবা লীডাৰেই হম। পাওঁ যদি এতিয়াও অৱসৰ সময়ত দেশৰ কাম এফেৰা…" তেওঁ কথা শেষ কৰিবলৈ নিদিলে…

"হয়নে? ল পঢ়িছে? বেছ, বেছ, শুনি বৰ সুখ পালোঁ। শুনিছা মাধৰী, এওঁ আমাৰ পণ্ডিত যত্ন তামুলীৰ ল'ৰা। বৰ ভাল প্লেয়াৰ। এওঁ থাকিলে কাৰ সাধ্য যে বল গ'ললৈ নিয়ে!!"

কাৰ আগত কথা কৈছে বুলি মটৰৰ ভিতৰলৈ চালোঁ… ঐ গোসাঁই!! দেখি আচৰিত, লেপৰ টোপোলাটোৰ ওপৰৰ ফালে ডিঙিৰে সৈতে মূৰ এটা ওলাই আছে। ভুল ভাগিল, টোপোলা-ৰূপী থেবৰ পুঞ্জিটোৱেই মাধৰী দেৱী অৰ্থাৎ ভূঞা ডাঙৰীয়াৰ সহধৰ্ম্মিণী, প্ৰায় গোটেইখন গাদী অধিকাৰ কৰি গিৰিয়েকৰ কাষতে বহি আছে।

পিঠা-গলা গাল দুখনেৰে সৈতে নাকটো সমান। মুখৰূপী গহ্বৰৰপৰা সুদীৰ্ঘ দন্ত-ৰাজি উলিয়াই দেখুৱাইছে, বোধহয় হাঁহিছে। কৰ নোৱাৰা কবি সকলৰ ভাষাত ইয়াকেই গজমুকুতাৰ পান্তি কয় নে দালিম গুটীয়াহে বোলে। মোৰ দৰে অকবিৰ চকুত ঢেঁকিথোৰা যেন হে লাগিল।

এটা উপমা সৰুৰেপৰা নেদেখি বুজা নাছিলো আজিহে দেখি নয়ন-মন পৰিতৃপ্ত হ'ল। বুজিলোঁ কবি শিৰোমণি সকলে ৰম্ভা কিহক বোলে। এলাপেচা নহয় একেবাৰে ভীম-ৰম্ভা! বেজ-বৰুৱা দেৱৰ উপমা এটা মনত পৰিল। বাপেকে পুতেকক হাতী

দেখুৱাইছিল। পুতেকে হাতীত উঠি যোৱা মানুহজনলৈ আঙু-লিয়াই সুধিলে—হাতী কোনটো? ওপৰৰটো নে তলৰটো?…

ভুঞা ডাঙৰীয়াৰ প্ৰশংসা শুনি মনত আনন্দ আৰু গৰ্ব্ব হুয়োবিধেই হৈছিল যদিও তেখেতৰ 'কাৰ সাধ্য গ'ললৈ বল নিয়ে' কথাষাৰ একেবাৰে সঁচা নহয়। অৱশ্যে লেখৰ প্লেয়াৰ এজন আছিলোঁ, এই কথা ঠিক।

তেখেতৰ খোচামোদ শুনি এখন্তেক অন্যমনস্ক আছিলোঁ— সেই সময়ত কি কৈছিল কাণত নোসোমাল। শেষৰ এষাৰ শুনিলোঁ।……

"আহক তামুলী, আপুনি মোৰ শিক্ষাগুৰুৰ ল'ৰা ভ্ৰাতৃস্থানীয় অৰ্থাৎ গুৰু-ভাই। ইমান দিনৰ মূৰত লগ পালোঁ যেতিয়া আজি নেৰো। মোৰ ঘৰলৈ এবাৰ যাবই লাগিব, কোনো আপত্তি নুশুনো……।

হৃদ্যতা দেখি সন্মত হোৱাৰ বাহিৰে উপায় নাছিল। কংগ্ৰেছ অফিচলৈ গ'লেনো কোনে সোণৰ সোলেংটো দিব? কি জানোবা এওঁৰে লেজত ধৰি……

ভুঞা ডাঙৰীয়াই নিজে মটৰৰ তুৱাৰ মেলি দিলে। ড্ৰাইভাৰৰ বাওঁকাষে বহিলোঁ! গাটো ভৰিৰপৰা মূৰলৈকে এবাৰ শিৰ্‌শিৰাই গ'ল। অনাগত ভাগ্যোদয়ৰ আশাত মনটোৱে তা-থৈ তা-থৈ কৰে তাণ্ডৱ নৃত্য জুৰিলে। কেইমিনিটমানৰ পাছতে ডাঙৰীয়াৰ বঙলাৰ পোৰ্চত মটৰ ৰ'লগৈ।

প্ৰথমতে ভুঞা ডাঙৰীয়া নামিল, তাৰ পিচতে মাধৰী দেৱী। মটৰৰ স্প্ৰিংবোৰ কোৰকোৰাই উঠি নিশ্বাস পেলাই প্ৰায় এহাতমান ওপৰলৈ উঠিল, লগতে সিহঁতৰ ভাষাত ক'লে "উস্ বাম! ভাল ৰক্ষা কৰিলা মোক প্ৰভু ...।" মটৰখন যিমান চাপৰ বুলি ভাবিছিলোঁ সিমান নহয়। কেৱল......

ভুঞা ডাঙৰীয়াৰ আদৰ আপ্যায়নৰ ত্ৰুটি নেদেখিলোঁ। দেউতালৈ মনত পৰিল। এনে ডা-ডাঙৰীয়াসকলেও দেউতাৰ ছাত্ৰ আছিল। নিজেও এধাপ যেন ওপৰলৈ উঠিলোঁ।

চাহৰ পৰ্ব্ব শেষ হ'লত তেখেতে নিজেই চিগাৰেট আগবঢ়াই যাচিলে। অভ্যাস আছিল যদিও আপত্তি কৰি নললোঁ। আজি ৰাতিপুৱা শুই উঠিয়েই কাৰ মুখ দেখিছিলোঁ সুঁৱৰিবলৈ চেষ্টা কৰিলোঁ। বাৰে বাৰে মনত পৰিল 'ফটা হ'ক চিটা হ'ক পাটৰ টঙালি, কণা হ'ক কুঁজা হ'ক হাকিম পোৱালী।' ভুঞা পোৱালীৰ উপৰিও তেখেত সকলতে হাকিম পোৱালী আছিল। বয়সৰ লগে লগে সকলোৰে পিতাকৰ কেয়াৰ-অফ্ এৰি নিজৰ চেয়াৰত বহাৰ দৰে তেখেতেও সম্প্ৰতি লীডাৰ হৈ পিতৃকুল নামযশ পৰিহাৰ কৰিছে।

আন আন কথা-বতৰাৰ পিছত এবাৰ তেখেতে ক'লে "বুজিছে—তামুলী, ল পঢ়িছে ভালেই কৰিছে, কিন্তু দেশৰ কাম......? দেশৰ কাম কৰিবলৈ ভৱিষ্যতে বহুত সময় পাব। তাৰ বাবে কংগ্ৰেছৰ ভলণ্টিয়াৰ হৰ লাগিছেনে? আপুনি ল'ৰা মানুহ, অভিজ্ঞতা নিচেই তাকৰ। সেইবোৰ ফলা মোৰ

পঢ়া আছে। ময়ো এদিন কংগ্ৰেছী আছিলোঁ। মই কওঁ —যেনেকৈ পাৰে এতিয়ানেপৰা নিজৰ জীৱনৰ সুবন্দবস্ত এটাৰ দিহা কৰক। কংগ্ৰেছত নাম লিখি ভৱিষ্যতে চাকৰিৰ আশাটো সমূলি নিৰ্ম্মূল কৰিব খুজিছেনে? আপোনাক ভাল উপদেশ দিছোঁ, বিশেষকৈ আপুনি মোৰ গুৰু ভাই ...."

ভাবিলোঁ।—এৰা ঠিকেই কৈছে। বাকী খোজ কেইটা গৈ কংগ্ৰেছ অফিচ পোৱাহেঁতেন আধাতে পৰিছিল আৰু! হেষ্টেলনৈ উলটি গৈয়েই খাদ্দৰ চোলাটো চাকৰক দান কৰিলে।

আৰু নানা বজনি, উপদেশ, অনুৰোধ আৰু প্ৰলোভনৰ ঠেলাত পৰি মনৰ ভাব সম্পূৰ্ণ পৰিবৰ্ত্তন হ'ল। কথা দিলোঁ যে সমুখত আহিব ধৰা ভোটৰ যুদ্ধত দেহে-কেহে তেখেতক সহায় কৰিম। তেখেতেও বাৰে বাৰে বুজ দিলে যে মোৰ ভাগত ই, এ, চিৰ আসন এখন ৰিজাৰ্ভ হৈ থাকিবই থাকিব। কিয়নো বিটাৰ্ণ হলেই মন্ত্ৰীৰ গাদী এখন তেখেতৰ ৰিজাৰ্ভ! মনটো মেঘমুক্ত আকাশৰ দৰে পৰিষ্কাৰ আৰু বোজাহীন হ'ল। ভাবিলোঁ ইমান দিনে তেখেতক দেখা নকৰি কি মহামূৰ্খামি কৰিছিলোঁ...

সেইদিনাৰ পৰাই ভুএগ্ৰা ডাঙৰীয়াৰ ঘৰত নিয়মিত হাজিৰা দিওঁ। নানা কামত সহায় কৰোঁ, হেণ্ডবিল বিলাওঁ, আৰু তেখেতৰ হকে নানা ঠাইত তৰ্ক-বিতৰ্ক কৰি প্ৰচাৰ কৰি ফুৰোঁ।

এসপ্তাহ পিছত। কুৰি মাইল দূৰত মিটিং। দুদিন থাকোতেই সেই গাওঁত উপস্থিত হৈ কামত লাগি গৈছোঁ। সকলো পৰি-চালনাৰ ভাৰ মোৰেই ওপৰত আছিল। পাহৰিব নোৱাৰো—

ভাত আৰু চাহ-মিঠাইৰ বন্দবস্ত অতি উৎকৃষ্ট আছিল। আৰু পঞ্চাশজনমান ডেকাকৰ্ম্মী পাই ভোট 'কেনভাচ' আৰু মিটিঙৰ বন্দবস্ত ভাল ভাৱেই আয়োজন কৰি তুলিছিলোঁ।

মিটিঙৰ দিনাখন ৰাতিপুৱাই ডগ্ৰা ভাওৰীয়াই আহি উপস্থিত হৈ মোৰ নিখুঁত বন্দবস্ত দেখি ক' পাই মোৰ কাণে কাণে আৰু এবাৰ ক'লে যে হাকিমী পদটো নিশ্চয় মোৰ কপালত আছে। দহমান বজাৰপৰা দলে দলে ৰাইজ আহি পথাৰ উপচি পৰিল। যথাসময়ত ভাওৰীদাৰ লেকচাৰ আৰম্ভ হ'ল ··

"ৰাইজসকল, মই আপোনালোকৰ সেৱক। আপোনালোকক সেৱা কৰিম বুলিয়েই নিস্বাৰ্থভাৱে নিজৰ অশেষ ক্ষতি কৰিও কৰ্ম্মক্ষেত্ৰত আগবাঢ়িছোঁ।

"মজুৰাসকল, আপোনালোকে আজি ভীষণ সমস্যাৰ সম্মুখীন হবলগীয়া হৈছে। একালে যেনেকৈ তথাকথিত কংগ্ৰেছৰ মুখাপিক্ষা স্বাৰ্থপৰ নেতাসকলৰ কুচুলনী, আনফালে তেনেকৈ নিজৰ প্ৰতি, দেশৰ দহৰ প্ৰতি, তথা সমূহ জাতিৰ বাবে বৃহৎ আৰু মহৎ কৰ্ত্তব্যৰ গধুৰ বোজা, আপোনালোকৰ সম্মুখত উপস্থিত হৈছেহি।

"বন্ধুসকল, আমি পাহৰিলে নচলিব যে অসমীয়া এটা দুখীয়া জাতি। আমাৰ ল'ৰা-ছোৱালীয়ে ভোকত ভাত, পিয়াহত পানী খাবলৈ নাপায়। মাৰি-মৰকত পৰি দহৰ এফোটা চকুৰে নেদেখি অকালতে ঢুকায়। হেজাৰে বিজাৰে মানুহ গেলা-পচা অখাদ্য-কুখাদ্য খাই অকালতে বিনাশ প্ৰাপ্ত হয়। কংগ্ৰেছক ভোট দিলে এইবোৰৰ সুবন্দবস্ত কৰিব পাৰিবনে ভাইসকল?"

আগেয়ে শিকাই থোৱামতে আমি সমজুৱাসকলৰ মাজৰ পৰা চিঞৰি দিওঁ "কেতিয়াও নোৱাৰে"...

আকৌ তেখেতে খুচি মনেৰে আৰম্ভ কৰে "উচিত কৈছে, ৰাইজসকল—কেতিয়াও নোৱাৰে। আকৌ শুনক—বিদেশীবোৰে আহি আজি আমাৰ সুখৰ সপোন ভাঙি দিছে। চাৰিওফালৰ পৰা আমাক আগুৰি ধৰি ভবিষ্যতৰ আশা-ভৰসা লুপ্ত কৰিছে। জী-বোৱাৰীয়ে আজি চকুৱাৰ ভয়ত ঘৰৰ বাজ হব নোৱাৰা হৈছে।

"এইবোৰ অতি গুৰুতৰ সমস্যাৰ সমাধান কংগ্ৰেছে কেতিয়াও কৰিব নোৱাৰে। কাৰণ কংগ্ৰেছ এটা সৰ্ব্বভাৰতীয় অনুষ্ঠান, গোটেই ভাৰতক ভ্ৰাতৃপ্ৰেমত বান্ধি এটা জাতি কৰি তোলাহে কংগ্ৰেছৰ লক্ষ্য। এতেকে কংগ্ৰেছক ভোট দিলে অসমীয়াৰ অস্তিত্ব লোপ পাব।

"কিন্তু মোক ভোট দিলে—মই প্ৰতিজ্ঞা কৰিলোঁ যে—গাওঁত ডাঙৰ ডাঙৰ আলি বন্ধাই, পুখুৰী খন্দাই দিম। তদুপৰি প্ৰত্যেক গাওঁতে আস্পতাল একোখন পাতি দিম। আকৌ আপোনালোকৰ চৰণত ধৰি প্ৰতিজ্ঞা কৰিলোঁ যে—টকাত আঠ অনাকৈ খাজানা মাফ কৰাই দিম।

"নিজৰ ল'ৰাছোৱালীয়ে—অন্ন-বস্ত্ৰ, দৰৱ-পথ্যৰ অৰিহনে চকুৰ আগতে ধৰফৰ কৰে পৰি মৰিব, মাক-বাপেক হৈ আমি হাত সাৱটি বহি চকুলো টুকি চাই থাকিম, এনে কথা সম্ভৱ হবনে বন্ধুসকল ?"

আমি চিঞৰি দিওঁ "কেতিয়াও নহয়। আমি মৰিলেও কংগ্ৰেছক ভোট নিদিওঁ।"

হাতযোৰ কৰি গদ্‌গদ্ কণ্ঠেৰে তেখেতে আকৌ কয় "ধন্যবাদ বন্ধুসকল, আপোনালোকৰ পদধূলি শিৰত লৈ মই আগবাঢ়িলোঁ। আশীৰ্ব্বাদ কৰক..."

চাৰিওফালে বহি থকা আমাৰ দলৰ পৰা চিঞৰি খলক লগাই দিওঁ "জয় ভুঞা ডাঙৰীয়াৰ জয়..."

উপস্থিত সকলো ৰাইজে যোগ নিদিলেও প্ৰায়বোৰেই জয়ধ্বনি কৰে। তুলস্থলৰ মাজত মিটিং সুকলমে শেষ হয়।

ভোটৰ দিনৰ চাহ-মিঠৈৰ খৰচৰ কথা নকলেও হব। মুঠৰ ওপৰত তেখেত ভালৰকমে বিটাৰ্ণ হ'ল। লগে লগে সপৰিয়ালে শ্বিলং পাহাৰলৈ গৈ বসতি কৰিবলৈ ধৰিলে। মন্ত্ৰীৰ গাদীখনো নিৰ্ব্বিঘ্নে পালে।

গুৰু-ককাইৰ অমোঘ বাণী সাৰোগত আৰু শিৰোগত কৰি বহি আছোঁ। দিন নেযায়, ৰাতি নুপুৱায়। দুই এজন বন্ধু-বান্ধৱকো গোপনে কৈছোঁ যে এইবাৰ হাকিমৰ বাবটো পামেই পাম।

দুমাহৰ মূৰত। মন্ত্ৰী হোৱাৰ বাতৰি পায়েই ল'ক বুঢ়া আঙুলি দেখুৱাই শ্বিলঙত হাজিৰ হলোঁগৈ। তেখেতৰ ঘৰতে আলহী হ'ম বুলি আশা কৰি গৈছিলোঁ। যদিও তালৈ গৈ ৰঙা চোলা পিন্ধা চাপ্ৰাচীক দৰ্শন কৰি আৰু তাৰ ৰাজোচিত কৰ্কশ বাক্য শ্ৰবন কৰি সন্তুষ্ট মনেৰে হোটেল হেপি-লজত বাস

কৰিলোঁগৈ। মনতে পাঙিলোঁ, মন্ত্ৰীচাহাবক দেখা কৰিয়েই দুৰ্ম্মুখ চাপ্ৰাচীৰ চাকৰিৰ দফা ৰফা কৰাম বাপেকে।

দ্বিতীয় দিনা, ৰাতিপুৱা ভূগ্ৰু ডাঙৰীয়াৰ লগতে চাহ খামগৈ বুলি ভাবি শুই উঠিয়েই দেখোঁতৰ বঙলালৈ তিনিমাইল খোজ-কাঢ়ি গৈ—ভিজিটিং কাৰ্ড অভাৱে—কাগজ এখিলাত পূৰা নামটো লিখি পঠিয়াই দি আগ্ৰহেৰে তিনি ঘণ্টা ধৈৰ্য্য ধৰি থিয়হৈ থাকি বিফল মনোৰথেৰে উভতি আহি দিনৰ দিনটো হোটেলত শুই থাকিলোঁহি।

তৃতীয় দিনা ৰাতিপুৱাৰ চাহকণ হোটেলতে খাই লৈ আকৌ গলোঁ। নিজৰ নামৰ তলতে পৰিচয়ৰ বাবে দেউতাৰ নামটিও লিখি দি পঠিয়ালোঁ। লাভৰ ভিতৰত এয়ে হ'ল যে খিলঙত থাকি অপমান নকৰি ঘৰলৈ উভতি যাবলৈ হুকুম পালোঁ। কিন্তু মনত পৰিল সৰুকালিতে শিকা কথাষাৰ - Try, try, again.—মটৰৰ ওচৰতে [illegible] মন-ভিতৰকৈ দিন হৈ বৈ আছোঁ। প্ৰায় চাৰে এঘাৰ বজাত দেখোঁ ওলাল। মোৰ ফালে নোচোৱাকৈ মটৰত উঠিবলৈ ভৰি দিছেহে মানুহজন, আগবাঢ়ি আহি নমস্কাৰ দি হাতযোৰ কৰি বৈ আছোঁ।

প্ৰশ্ন কৰিলে "কোন? কি লাগে? কেলেই নিতৌ আহি আমনিখন কৰিছা?"

উত্তৰটো জোখাৰে কণ্ঠলৈ উঠি আহিছিল কিন্তু চাকৰিৰ আশাত দোপ মাৰি গিলি থৈ কলোঁ।—"মই সেই এম, তামুলী স্যৰ, ভোটৰ সময়ত..."

"এহ ধাব সাবিবলৈ আহিছে চোৰা! ভোট দি এওঁ মোৰ মূৰটো কিনি লৈছে !! ছহেজাব মান্থহে ভোট দিছিলে, আটাইবোবকে হাকিম পাতি দিব লাগিব, নহয নে? গাৱঁলৈ উভতি যোৱা, কংগ্ৰেছব ভলন্টিয়াব হৈ গাওঁ সংগঠন কবাগৈ। নহলে দেউতাবৰ পণ্ডিত কামটোকে "

এনেতে হাঁচি মাবিলোঁ। অনিচ্ছাসত্বেও খেকাববোৰ জোবেৰে গৈ তেৰাব নাকে মুখে সোমাল। গবম কাপোবৰ অভাৱত শ্বিলং পায়েই পানী লাগিছিল।

ৰুমালেৰে মচি মচি ভোৰ ভোবাই, তেখেত বগুলালৈ সোমাই গ'ল। ময়ো উলট খোজ ললোঁ।

———

দুগজ কাপোৰ

কথাতে কয় বোলে 'নৰৰ অধম নাই খলুৱাৰ মান' হেনজানি আনৰ কথা এৰি মোৰ নিজৰ কথা এষাৰকে কওঁ...

পূৰা এমাহ কাল ধৰি নিতৌ পাচ ঘণ্টাকৈ চিঞৰি, চিঞৰি, টেটুফালি এক তাৰিখে দৰমহা পালোঁ এশ পচিশ টকা ৰূপ। অৱশ্যে আঠ টকা নিজৰ পিণ্ডৰ বাবে জি, পি, ফাণ্ডৰ চান্দাৰূপ দণ্ড কাটি দিছোঁ, নহলে নগদ এশ একুৰি তেৰ টকা ৰূপ হ'ল হেঁতেন।

তিনি দিনৰ পিছত অৰ্থাৎ চাৰি তাৰিখে ৰাতিপুৱা চেনি বিহীন চাহ এটুপি তৃপ্তিৰে সৈতে পি উঠি ভাবিলোঁ, হাতত ধন থাকোতেই মাছ এসাজ খোৱা উচিত। বজাৰলৈ যাওঁগৈ বুলি একমাত্ৰ চোলাটো গাত সুমুৱাই লৈ ধনৰ বাকচটো মেলিলোঁ। দেখিলোঁ—এটকীয়া নোট তিনিখনৰে সৈতে আৰু বাৰ অনা পইচাই জক্‌মক্ কৰে জিলিকি আছে।

ধন দেখি বুকুখনে ধান বানিবলৈ ধৰিলে। ধন কি হ'ল বুলি গুচৰতে কোঢ়াল কৰি থকা ল'ৰা-ছোৱালীবোৰক সোধাত ইটোৱে সিটোৰ মুখলৈ চালে মাথোন।

খঙে চুলিৰ আগ পালেগৈ। বিকৃত মাতেৰে হুকুম দিলোঁ "সোনকালে মাৰক মাতি আনগৈ।"

কি কৰোঁ নকৰো কৈ ভাবি একো সুবুদ্ধি নাপাই জেপত হাত সুমুৱালোঁ। জেপৰ চুক এটাত পৰিথকা বিড়ীটো হাতত

হাতত লাগিল। খঙতে তাকে উলিয়াই আনি মুখত সুমাই লৈ জুইৰবাহ নাপাই ল'বা এটাক জুই আনিবলৈ পাচিলোঁ। জুই আনিলত বিড়ীটো জ্বলাই লৈ হুহোপামান মাৰি ভাবিলোঁ সুমাই থ'ম নে আকৌ এহোপা মাৰিম। নুমাই থলে ভবিষ্যতে আকৌ হুবাব হুপিব পৰা যাব। তাহানি বাল্যকালৰ কবিতাটো মনত পৰিল—বগলীয়ে যিটো পায়, মাছ ততালিকে খায়, নাপালেই থাকে সুদা পেটে..."

এনেতে ভিজা গা আৰু চুলিৰ ওপৰত মোৰেই ফটা চুৰিয়াখন মেৰাই লৈ তেওঁ সোমাই আহি পাছফালে পেপা বজালে—"ৰাতিপুৱাতে নো কি অপৰাধটো কৰিলোঁ, যে জৰুৰী তলব দিছে ?"

জোখাৰে উত্তৰটো দিব খুজিও নিদি গম্ভীৰ হৈ এবাৰ তেওঁৰ ফালে ঘূৰি চালোঁ। দেখিয়েই মূৰ গৰম হ'ল, চকু জুৰিয়ে পেট্ৰলত জুই উঠাৰ দৰে দপ্ কৰে জ্বলি উঠিল।

"অপৰাধৰ বিচাৰ পিছতো হব। প্ৰথমে কোৱাচোন মোৰ চুৰিয়াখন কেলেই পিন্ধিছা ? ইয়াৰে জোৰা-তাপলি মাৰি অন্ততঃ আৰু চাৰি মাহলৈ......"

"এৰা, নিজৰ বেলিকা আৰু চাৰিমাহলৈ লেখিছে, কিন্তু আমাৰ ফালে চকু ফুৰাই চাইছেনে নাই ? ফটা মেখেলা সিবলৈ ঠাই নাইকীয়া হৈছে। বিহাৰ কানিৰে লেছা কৰিলোঁ। ইয়াৰ পিছত গছৰ বাকলিয়ে গতি হব নেকি ? হয় আজিয়েই কাপোৰ আনি দিয়ক, নহলে নিজৰ খনৰে আধা কাটি দিয়ক।"

কথা সঁচা। এৰা, আজি দুবছৰে কাপোৰ কিনিম ছাৰি চকুৰে দেখিবলৈকেও নাপালো। সাঁচনীয়া যি কেইখনমান আছিল তাৰেই কোনোমতে হোৱানাবোৱাৰ সৈতে লাজ নিবাৰণ কৰিছে। মই বাহিৰত চুৰিয়াৰ ফেৰ মাৰি আহি ঘৰ পোৱাৰ লগে লগে ফটা কানিবোৰ চাৰিজাপ মান কৰি মহাদেৱে বাঘছাল লোৱাৰ দৰে ওলোমাই থওঁ। সেই বাবেই মোৰখন এতিয়াও আছে যদিও বাকীবোৰ ফটা কানিত জোৰা তালি দিবলৈও ঠাই নাইকীয়া। দেশখনত হাহাকাৰ। খাবলৈ খাদ্য নাই, পিন্ধিবলৈ বস্ত্ৰ নাই, ববলৈ সূতা নাই, আকৌ ব্লেক মাৰ্কেটলৈ যাবলৈ পইচা নাই.

তেওঁৰ কথাৰ কোনো সদুত্তৰ বিচাৰি নাপাই মনটো অলপ কুমলিল, খং পানী উঠিল।

"হেৰা বাকচৰ ধনবোৰ কি হ'ল হেঁ? মুঠতে চাৰে তিনি টকাহে আছে দেখোন?" চাবি অনা বিড়ী খাবলৈ ৰাখি মিছা মাতিলোঁ।

এইবাৰ তেওঁৰ কোৰ চৰিল.. "মই চোৱাই খাইছোঁ—ধনৰ পুঁজিটো আইৰ ঘৰলৈ দি পঠিয়াইছোঁ—লাজো নেলাগেনে? ছিঃ ছিঃ.........."

"এহ, খং কৰিছা কেলেই? মই ভালকৈহে সুধিছোঁ। ক'ৰবাত যদি লুকু ...."

"কেলেই হিচাপৰ বহিটো চাবলৈ চকু দুটা..... "

এৰা মোৰেই ভুল। আজি দুবছৰৰ পৰাই খৰচৰ হিচাব এটা নিয়মিতভাবে লিখা কৰিছিলোঁ। তেওঁ মনত পেলাই দিলত বহি খন চালোঁ।

তাত লিখা আছে:—গুৱাল ১৫৲, খৰি এগাড়ী ১৫৲, পাচলি বেপাৰী ১০৲, যোৱা মাহৰ দৰবৰ দাম ১৮৷৷০, নাপিত ৩৲, ল'ৰা-ছোৱালীৰ মাচুল ৬৸০,

মুঠ হিচাব এতিয়াও উলিওৱা নাই যদিও এই খিনিৰ যোগফল ৬৮৷০ অনা হ'ল। কিন্তু তথাপি তেৰন টকা নিমিলে। অলপ সময় তলমূৰ কৰি মূৰ খজুৰাই দিযাত মনত পৰিল,—সেইদিনাই অৰ্থাৎ দৰমহা পাই ঘৰলৈ আহোঁ বুলি খোজ লোৱাতেই স্কুল ঘৰৰ পদূলিত খাপপাতি বৈ থকা গেলামালৰ দোকানীয়ে তাতে পঞ্চাশ টকা আদায় কৰি আৰু পঞ্চাশ টকা পোন্ধৰ তাৰিখৰ ভিতৰত দিবলৈ আদেশ কৰিছিল। অন্যথায় বস্তু কালিয়নে দিয়া বন্ধ কৰিব বুলিও শাসন কৰি গৈছিল। আৰু সোঁৱৰণ হ'ল আই গোসাঁনীৰ পূজাৰ বৰঙণি ৰূপে তিন টকা ৰূপ পানীত পেলাই দি আহিছোঁ।

এতিয়া উপায়? হাতত থকা আধা পোৰা বিড়ীটোকে আৰু কেইহোপামান মাৰিলোঁ যদিও জুইৰ অভাৱত মুঠেই ধোঁৱা নোলাল। লাজতে তেওঁৰ ফাললৈকেও চাব নোৱাৰি তলমূৰকৈ ভাবিছোঁ হে ভাবিছোঁ,—এতিয়া উপায় ..?

মূৰটো একুৰা জুই,—দুয়োখন কাণেৰে ৰেলৰ ইঞ্জিন চলিছে, গুম্ গুম্, দপ্ দপ্......

এনেতে শুনিলো,—"মোক পিন্ধিবলৈ কাপোৰ আজিয়েই আনি দিব। নহলে কাইলৈ চুৰিয়াখন.ক দুভাগ ক ৰিম। আকৌ দহদিনৰ মূৰতে পূজা, লৰা-ছোৱালীক এ.কোডে.খৰ দিবলৈকেও বন্দবস্ত কৰিব।" আদেশ অন্তে তেওঁ ওলাই গ'ল।

ঠিক কথা, ভাল মনত পেলাই দিলে। মাছৰ সোৱাদ মনতে উপলব্ধি কৰি, মাছৰ আশা মচি পেলাই কাপোৰৰ আশাৰ টোপোলা বুকুত বান্ধি লৈ ওলোৱাহে থিৰাং কৰিলোঁ।

ৰূপ তিনি টকা অৰ্থাৎ আধা-গেলা নোট তিনিখন এবাৰ জেপত সুমালোঁ, এবাৰ বাকচত থলোঁ, আকৌ উলিয়াই আনি জেপত ভৰাই ললোঁ। লগতে পাৰৰ চুঙাত থোৱা বহুকলীয়া, সিন্দুৰ-ৰঞ্জিত, গৃহিণীৰ সপ্ত পূণ-বজ্ৰৰ পৰা আগেয়ে চুৰি কৰি নিয়াৰ বাদে নগদ এগণ্ডা আছিল। তাৰো তিনিটা উলিয়াই জেপত সুমালোঁ।

আধাপোৱা বিড়ীটো তেতিয়াও হাততে শিলটো যেন গধূৰ হৈ আছিল! তাকো ইখন জেপত লৈ বাহিৰ ওলালোঁ। বতৰ ভাল নাছিল কিন্তু লগত নিবলৈ ছাতিও নাই। যি আছে কপালত, বুলি ভাবি পদূলি ওলাই বেগাই খোজ ললোঁ।

কিছুদূৰ গৈয়েই দূৰৈৰপৰা দেখিলোঁ,—এঠাইত এটা সৰুঘৰত সৰু দুৱাৰ এখনেৰে বহুত মানুহে হেচা ঠেলা কৰি ভিতৰলৈ সোমাবলৈ চেষ্টা কৰিছে। আলিবাটিৰো আধামানৰ পৰাই মানুহৰ ভীৰ। মনতে ভাবিলো, বোধহয় লুটপাত হ'ল। বেগেৰে গৈ ওচৰ পাই দেখিলোঁ যে মলাধপাতৰ দোকানী খোদাবক্‌চৰ দোকানত

খোৱা-কামোৰা লাগিছে। কি ঘটিছে একো গম নাপাই ওচৰতে থকা কচাইটোক সুধিলোঁ।—"হেৰা খোদাবক্‌চৰ ধনৰ বাকচ লুটপাত হ'ল নে কি?"

"কোথায় লুট্‌পাত দেখলেন বাবু? ইখানে কাপড় বিক্ৰী কৰিছে হালাই।" সি উত্তৰ দিলে।

"এঁ, কাপোৰ বেচিছে!! তেনেহলে মলাধপাতৰ কাৰবাৰ এৰি দিলে??"

"আছেন কোথায় বাবু? যুদ্ধৰ বাজাৰে মলাধপাত খাইবো কোন হালা? চব হালাই ববলোক হইয়া গেছে! চিগ্ৰেট না হৈলে চলবো না বাবু। হালা খোদাবক্‌চ মিয়া কাৰ লাইগা মলাধপাত বিক্ৰী কৰবে কহেন বাবু? চব ছাৰণ দিয়া ...."

বুজিলোঁ, খোদাবক্‌চৰ প্ৰতি খোদাৰ কৃপাদৃষ্টি বৰ্ষণ হৈছে। যি হওক, কাপোৰৰ চেষ্টা কৰোঁ বুলি আগুৱাই যাবলৈ চেষ্টা কৰিলোঁ যদিও ভীৰ ঠেলি সোমাই যোৱাৰ শক্তি নহ'ল। ইয়াত নাপালেও আন ঠাইত পাম বুলি নিৰাশ নহৈ অইন কাপোৰৰ দোকানলৈ বুলি খোজ ললোঁ। কাপোৰৰ দোকানীবোৰে মুখ চোৱা-চুই কৰি বহি আছে দেখিলোঁ। তাৰে এখন চিনাজনা দোকানত সোমালোঁগৈ।

"বহক মাষ্টৰ বাবু।" দোকানীয়ে আদৰিলে।

"এৰা বহিম বুলিয়েই সোমালোঁ, পিচে কাপোৰ-কানি একোকে নেদেখো কেলেই?"

"কাপোৰ অনাব পাৰিলেহে দেখিব স্যৰ। অনাবলৈ পাৰমিট

নাপাওঁ, আকৌ বেচিবলৈও কোটা নাপাওঁ। ফেয়াৰ ডিষ্ট্ৰিবিউশ্যনৰ ঠেলাত ৰাম, হৰি, যদু, মধু, শাকৱালা, ৰুটিৱালাই কাপোৰৰ কোটা পাইছে। আগৰ দোকানদাৰবোৰৰ দুই-চাৰিজনে কাচিতহে দুই-চাৰি জোৰা পাইছে। তাৰপৰা লাভ কৰা দূৰৰ কথা যুদ্ধৰ বজাৰত ঘৰ ভাড়াই নুঠে স্যৰ।"

"কিন্তু এইদৰে বহি থাকিলেইনো চলিব কেনেকৈ ?"

"চলিব স্যৰ, নেদেখাজনৰ কৃপাত নেদেখা কাৰবাৰেই আমাৰ ভাল। তাত লাভো বিস্তৰ অথচ দিগদাৰ কম।"

"কি! কিবা চোৰাং কাৰবাৰত ধৰিছে নেকি? তাত বৰ বিপদ কিন্তু—" মই কলোঁ।

তাচ্ছিল্যভাবে তেওঁ উত্তৰ দিলে "এহ, বিপদ নো ক'ত নাই স্যৰ? আকৌ আজি কালিৰ দিনত চোৰাং কাৰবাৰ নো কোন চলাই নকৰে মাষ্টাৰ বাবু? চেনিৰ দাম আঠ অনাৰ ঠাইত তিন টকা! ধুতিৰ দাম তিন টকাৰ ঠাইত সাত টকা! আলুৰ দাম চাৰি অনাৰ ঠাইত পাঁচ সিকি। তেন্তে সেইবোৰ নো কি সাধু কাৰবাৰ হ'ল স্যৰ ? আকৌ চাওক মাহিলী দেৰ শ টকা দৰমহা পাই মাহে আঢ়ৈ শ কৈ খৰচ কৰিও দহ হেজাৰেৰে মটৰগাড়ী কিনে!! পঞ্চাশ টকা বেতনৰ কেৰাণীয়ে পাঁচশ টকা দামৰ হাত ঘড়ি কিনে!! সেইকাৰণে আমিও এইবোৰ সাধাৰণ কাৰবাৰত মগজু ঘোলা নকৰি ডাঙৰ ডাঙৰ নেদেখা কাৰবাৰতে ধৰিছোঁ স্যৰ।"

দীঘল হুমুনিয়াহ কাঢ়ি কলোঁ—"বাৰু সেইবোৰ এৰক।

এতিয়া কওকচোন কাপোৰ তুডোখৰিমান ক'ত পোৱা যায় ?”

মুখখন বিকৃত কৰি তেওঁ উত্তৰ দিলে—“আপোনাৰ দৰে নিৰীহ ভদ্ৰলোকে কাপোৰ কিনিব পাৰিব বুলি বিশ্বাস নহয় সাৰ। তথাপি চেষ্টা কৰি চাবগৈ পাৰে। কেনেবাকৈ যদি ভিতৰ সোমাই ৰেশ্যন কাৰ্ডখন নি দিব পাৰে অলপ-অচৰপ পাবও পাৰে। কিন্তু হেঁচি-ঠেলি যোৱা-অহা কৰোঁতে নিশ্চয় গাৰ চোলাটো ফালিব সাৰ, মই কৈ দিলোঁ। আৰু এই বেলাতে নিকিনিলে আৰু লৈকে আৰু কেতিয়াও নাপায়। কাৰণ আধামান কাপোৰ সিহঁতে লুকুৱাই থৈ বিক্ৰী হৈ গ'ল বুলি কব সাৰ। পিছত চৰা দামত চোৰাং‥‥”

শুনিবলৈ ইচ্ছা নহ'ল। তেওঁৰ কথা শুনি প্ৰধান ভয় হ'ল—গাৰ ডোখৰি হেৰুৱাব লাগিলে দিগম্বৰ হৈ ভাঙৰ চিলিম হাতত লব লাগিব। মনটোৱে কোঁচ খালে। কিন্তু কাপোৰ নিনিলেও‥ ‥। ওলাই গ'লো।

কেইখোজমান গৈ এখন দোকানৰ সমুখত দেখিলোঁ—খোদাবক্সৰ দোকানৰ দুগুণ ভীৰ! মনতে ইষ্ট নাম সুঁৱৰি পৃষ্ঠভঙ্গ দিলোঁ। আৰু গৈ আধা মাইলৰ মূৰত দেখিলোঁ আন এখন দোকানৰ দুৱাৰ মুখত মৰামৰি লাগিছে। দুৰৈৰ পৰাই পৰিনমস্কাৰ কৰি আন বাট ধৰি ঘৰমুৱা হলোঁ! কিন্তু ঘৰৰ কথা মনত পৰি থমকি ৰলোঁ। কাপোৰ নিনিয়াকৈ গলে যদি‥‥‥‥‥?

হঠাতে কথা এটা মনত পৰি মনটো অকণমান পাতল

হ'ল। মোৰেই প্ৰাক্তন আৰু প্ৰিয় ছাত্ৰ এজন আজি যোগনীয়া হাকিম। তেওঁৰ ওচৰলৈ গ'লে নিশ্চয় সুবন্দবস্ত এটা হবই হব। ইমান দিনে বুদ্ধিটো কেলেই পোৱা নাছিলো বুলি নিজৰ মনতে আফচোচ্ হ'ল।

হাকিমৰ ঘৰলৈ বুলি গতি বঢ়াই দিলোঁ। এবাৰ ভাবিলোঁ,—যদি বছৰেকৰ বাবে এখন পাৰমিট লৈ আহিব পাৰোঁ! কিন্তু ধন? অৱশ্যে ধনৰ বন্দবস্ত কৰি থোৱাই আছে। আনবোৰ কথা পাহৰিলেও প্ৰতি বছৰে পূজাৰ আগেয়ে জি, পি, ফাণ্ডৰ ধাৰ লবলৈ কেতিয়াও নাপাহৰো। ধাৰ লোৱাৰ কাৰণো অতি স্পষ্ট আৰু সহজ,—আই গোসাঁনীয়ে দিয়া বুধিটো...ৱাইফৰ ডেলিভাৰী টাইম্—। যদিও একেটা কাৰণ দেখি যোৱা বছৰত কৰ্তৃপক্ষই আপত্তি কৰিছিল তথাপি নিদি নোৱাৰিলে। এইবাৰো মঞ্জুৰ কৰিছেই। ভৱিষ্যতলৈকেও চাকৰিটো আৰু ৱাইফ জীয়াই থাকে মানে দিবলৈ বাধ্য। এনেকি ৱাইফ যদি (ঈশ্বৰে নকৰক) মৰিও যায়, শ্ৰাদ্ধ বুলিও......

এবাৰ ভাবিলোঁ,—এই চাকৰিটো নকৰাহেঁতেন, কাপোৰৰ দোকানীয়ে কৰাৰ দৰে চোৰাং কৰি বা তেনে বিধৰ কিবা কাৰবাৰ কৰি চহকী হবই পাৰিলোহেঁতেন কিজানি। নহলে মিলিটেৰী ঠিকা লৈ ছমাহৰ ভিতৰতে ভোল্ সলাই পেলাব পৰা গ'লহেঁতেন, নিশ্চয়। মনত দুখ লাগিল, সকৰেপৰা ধন খৰচ কৰি উচ্চ শিক্ষা লভি আজি কুৰি বছৰ চাকৰি

কৰি লাভৰ ভিতৰত অৰ্দ্ধাহাৰ আৰু অৰ্দ্ধনগ্ন। নাই অন্ন, নাই বস্ত্ৰ।

নিজৰ চিন্তাত মগ্ন হৈ গৈ আছোঁ। কেতিয়াৰপৰা যে কিনকিনিয়া বৰষুণজাকে মগজুটো চেঁগা কৰিছিল ভুচ্ নাছিল। হাকিমৰ ঘৰৰ ওচৰ পাইহে গম পালো। যে—গাৰ সাজপাৰ অৰ্থাৎ চোলাটো আৰু চুৰিয়াখন চেপি দিবলগীয়া হৈছে। এবাৰ ভাবিলোঁ।—উলটি যাওঁ, কিন্তু আহি পালোহি যেতিয়া পাৰমিটখন লৈ যোৱাহে যুগুত ভাবি সংকল্প পৰিহাৰ নকৰিলো।

হাকিমৰ বাৰাণ্ডাত মানুহ ভৰা। কোনোমতে এচুকত থিয় হলোঁগৈ। তিতা মেকুৰীটোৰ দৰে বৈ আছোঁ। তাৰ মাজতে উপস্থিত মানুহবোৰৰ মুখলৈ এবাৰ চাই পঠিয়ালোঁ। দেখিলোঁ —তাৰ ভিতৰত চিনা, নিচিনা, ডাঙৰ, সৰু সকলো ৰকমৰ মানুহৰ সমাগম হৈছে। সকলোৰে একে গতি, একে উদ্দেশ্য, একে লক্ষ্য। তাকে দেখি তিতা শৰীৰৰ মাজতো জীৱটোৱে অলপ উম পালে। সেমেকা মনটো সজীৱ হ'ল।

মহাপুৰুষৰ উদাৰ ধৰ্ম্মলৈ মনত পৰিল। সৰু, বৰ, জাতি অজাতিয়ে একে উদ্দেশ্যৰ জৰীৰে বান্ধ খাই একেখন বাৰাণ্ডাত সমভাবে বৰ্ত্তমান।

এবাৰ মনত পৰিল ৰুছিয়াৰ সাম্যবাদৰ ইয়ো এক নমুনা হবলা। প্ৰসিদ্ধ পুঁজিপতি মহাজন হাজৰিমলৰ গাতে গা লগাই থিয় হৈ আছে তেওঁৰে বাৰাণ্ডাত বহি চাহ, বিড়ী বিক্ৰী কৰোতা—টেলি আলী তাকবৰ! প্ৰফেচাৰৰ পিঠিতে পিঠি লগাই থিয় হৈছে চাপ্ৰাচী ভদীয়া কাই!!

জ্ঞান মালিনীৰ মৰিশালিৰ পদ্যফাকি মনত পৰিল···ৰজা, প্ৰজা, সুখী, দুখী, ধনী, নিৰধন···

চিনা জনাৰ ভিতৰত মাটিৰ হাকিমো আছে, ড্ৰাইভাৰো আছে, মহাজনো আছে, কণ্টৰালাও আছে, ঠিকাদাৰো আছে, কুলীও আছে ইত্যাদি, ইত্যাদি···

যোগনীয়া সহকাৰী হাকিম আৰু কেৰাণীজনে হাতত কিবা কিবি কাগজ-পত্ৰ লৈ বাহিৰৰ পৰা—বোধহয় ঘৰৰপৰা—আহি বাৰাণ্ডাত উঠিয়েই মোক দেখি নমস্কাৰ কৰিলে। এওঁলোকেও মোৰেই ছাত্ৰ আছিল। স্কুল এৰিবৰ বেছি দিন হোৱা নাই।

"আপুনি তিতিবুৰি আহিলে স্যৰ?" সহকাৰী হাকিমে সুধিলে।

"এবা বোপা, বাটতে বৰষুণে পালে। ছাতি আ······ আনিবলৈ··· ··· ···"

"এই বতৰত ছাতি এৰি ওলাই অহা উচিত হোৱা নাই স্যৰ।"

ছাত্ৰৰ আগত মিছা নামাতি সঁচা কথাটোকে কওঁ বুলি মুখ মেলিছোঁ। এনেতে চাপ্ৰাচীয়ে ভিতৰ ফালৰপৰা দুৱাৰ মেলি দিলত দুয়োজনে ভিতৰ সোমাই গ'ল। কেৰাণীয়ে আকৌ ওলাই আহি এফালৰপৰা নাম লিখি তালিকা এখন তৈয়াৰ কৰিলে।

মই কলোঁ "গা বৰ ভাল নহয়, বোপা। পাৰা যদি অলপ সোনকালে······"

"চাওঁচোন কি কৰিব পাৰোঁ স্যৰ। আপুনি একেবাৰে শেষত হে আহিছে। আজিকালি হাকিমে নিয়ম কৰিছে

যে 'কিউ' হিচাবেহে প্ৰথমৰ পৰা দেখা কৰিব। আপুনি মোৰ লগতে আহি আমাৰ লগতে অলপ জিৰাওকহি স্যৰ।"

তেওঁৰ লগতে মোকো ভিতৰলৈ নি তেওঁলোকে বহা টেবিলৰ কাষতে চকী এখনত বহিব দিলে। ইয়াতে তেওঁলোক দুজন বহে। তাৰ কাষতে থকা দুৱাৰ খনত পৰ্দ্দা। পৰ্দ্দাখন পাৰ হলেই হাকিমৰ কাম। তাতে হাকিম প্ৰৱৰে প্ৰজাসবৰ লগত দেখা কৰে।

কেৰাণী ভিতৰ সোমাই গ'ল। চাপ্ৰাচীয়ে ওলাই আহি সহকাৰী হাকিমকো মতাই নিলে। অলপ সময়ৰ পিছতে কেৰাণী ওলাই আহি বাহিৰৰ দুৱাৰত হেঙ্গাৰ হৈ থকা হাঙ্গৰমল বাবুক মাতি নিলে। হাঙ্গৰমলে হেঙ্গাৰৰ নিচিনা তেনেই দুৱাৰখন আগুৰি আছিল। তেওঁ ভিতৰ সোমালত দুৱাৰেদি এফালি পোহৰ আহিলত কোঠালীটো পোহৰ হ'ল।

আদ্দি কাপোৰৰ পাঞ্জাবীটোৰ ভিতৰেদি ডিঙিৰ সোণৰ হাৰ, বুকুৰ লোমকে আদি কৰি তলপেটত পিন্ধা ছুৰিয়াৰ গাঁঠি পৰ্য্যন্ত দেখা গৈছিল। কান্ধত পথৰা গামোচা, মূৰত হালধীয়া পাগুৰি। আথেবেথে পেট নচুৱাই, কেৰাণী বাবুৰ পাছে পাছে গৈ পৰ্দ্দা ঠেলি ভিতৰ সোমাই "ৰাম ৰাম" গালে।

পৰ্দ্দাৰ ভিতৰৰ ফালে নেদেখিলেও তাতে বহি সকলো কথা শুনিবলৈ পাইছিলোঁ।

"ওঁ, ৰাম ৰাম, বহক হাঙ্গৰমল বাবু। কেলেই আহিলে ?" হাঙ্গৰমল বাবুই—চিগ্ৰেট চাহাব—বুলি বোধহয় চিগাৰেট আগ বঢ়ালে। অলপ পাছতে চিগাৰেটৰ গোন্ধ পালোঁ।

"হামি আহিছে চাহাব, হামাকে দচ বেল কাপোড়ৰ কোট্টা দিবাৰ লাগে হুজুৰ।"

"কাপোৰ কেলেই? আপুনি দোণ কপৰহে কাৰবাৰ কৰে।"

"হা চাহাব, লেকিন আজ কাল ডেৰছো কপীয়া দে কে কোন চালা স্বোন কিনিবো চাহাব? কাৰবাৰ না কোৰলে হামি কি খাবো হুজুৰ?"

সহকাৰী হাকিম ওলাই আহি মোৰ ওচৰত থকা নিজৰ আসনত বহি টেবিলৰ কাগজবোৰ লুটিযাবলৈ ধৰিলে। তাৰে কাগজ কিছুমান হাতত লৈ তেওঁ ওলাই যোৱাতে কৈ গ'ল "আপুনি অলপ বহক স্যৰ, কেৰাণী বাবুই সোনকালে আপোনাক মতাই নিয়াব।"

কেৰাণীও ভিতৰব পৰা আহি সহকাৰীৰ চকী খনতে বহিল। ভিতৰত কথা কোৱা শুনিলোঁ।—

"কিন্তু চৰকাৰৰ হুকুম, কাপোৰৰ দোকানীৰ বাহিৰে..."

"হা চাহাব, ঐ বাৎ হামিভী জানে। হামাৰ বাপকা কাপড়াৰ দোকান আছিল চাহাব। আপনা হামাৰ ৱাস্তে লিখি দিবো চাহাব। হামি আপনাকে..."

"ছেঃ কৰিছে কি? ফিৰাই নিয়ক......"

"অভী আপনাৰ কাছে ৰাখি দিয়ক চাহাব। দোৰকাৰ হলে হামি খুজি লিবো চাহাব।"

"বাৰু এতিয়া যাওক গৈ। চাওঁচোন কি কৰিব পৰা যায়। ৰাম ৰাম।"

"ৰাম ৰাম হুজুৰ, ৰাম ৰাম।"

ইঁহি মুখেৰে ধনঞ্জা পেটটো নচুৱাই হাঁহৰমন ওলাই গ'ল। চব ডেপুটী হাকিম সোমাই গ'ল।

"গুডমর্ণিং"

"গুডমর্ণিং মিঃ খাউণ্ড, বহক।"

"স্পেচিয়েল পাৰমিট এখন দিয়ক।"

"ভাল, কেৰাণীবাবু, এখেতৰ নামটো লিখি ৰাখক। আপোনাৰ মেম্বাৰ কিমান?"

"Adult ten, Children Seventeen."

"ভাল বাৰু, প্ৰত্যেককে ৪ গজকৈ দিম। অফিচৰ পৰা নিয়াব। পিছে সেই চৰকাৰী মাটি ডবাৰ কিবা দিহা হ'লনে?"

"আপোনাৰ নামত মাটি আছে নেকি চহৰত?"

"নাই, ৱাইফৰ নামত হে আছে।"

"O. K. এতিয়াও কোনো চেটলমেট হোৱা নাই। মই মণ্ডলক কম বাৰু। আহোঁদেই গুডমর্ণিং......"

"গুডমর্ণিং......"

মাটিৰ হাকিম ওলাই গ'ল। মিচলেনিয়াচ ষ্টোৰৰ প্ৰ'প্ৰাইটৰ বৰবৰাক মতাই নিলে।

"গুডমর্ণিং স্যাৰ।"

"য়েচ, কি লাগে?"

"মই মিচলেনিয়াচ ষ্টোৰৰ প্ৰ'প্ৰাটইৰ স্যাৰ। কাপোৰৰ কোটাৰ বাবে দৰখাস্ত কৰিছিলোঁ।"

"আপোনাৰ দোকানৰ নামটো কাপোৰৰ দোকান যেন নালাগে। পাবনে নেপায় মই কব নোৱাৰিছোঁ।"

"কিন্তু স্যৰ আজি দহবছৰে মই কাপোৰৰ দোকান কৰি…"

"হব পাৰে। গৱৰ্ণমেণ্টৰ ষ্ট্ৰিক্ট অৰ্ডাৰ ফেয়াৰ ডিষ্ট্ৰিবিউশ্যন হব লাগিব। বাৰু মই এনকোৱাৰী কৰিব দিম, এতিয়া যাব পাৰে।"

ৰবৰবা বৰ বেজাৰ মনেৰে ওলাই গ'লত প্ৰফেচাৰ জন সোমাই গ'ল।

"অ' আপুনি? গুড্‌মৰ্ণিং স্যৰ। কেলেই আহিলে কওকচোন?"

"কাপোৰৰ বাবে বৰ চিন্তাত পৰিছোঁ। সেইদেখি ভাবিলোঁ যে তুমি আছা যেতিয়া স্পেচিয়েল পাৰমিট এখনকে লৈ যাওঁ।"

"কাপোৰ বৰ কম আহিছে স্যৰ। তথাপি আপোনাক গাইপতি দুগজকৈ দিব পাৰিম। কেৰাণী বাবু, এখেতক গাইপতি দুগজকৈ special card এখন issue কৰাই দিব। ভাল স্যৰ গুড্‌মৰ্ণিং……"

তেওঁ ওলাই যোৱাৰ পিছতে টেলী আলী আকবৰৰ পাল পৰিল।

"চালাম হুজুৰ।"

"হুঁ, কি লাগে?"

"মই বজাৰৰ দোকানদাৰ হুজুৰ। নাম আলী আকবৰ টেলী…"

"কিহৰ দোকান?"

"হৰেক ৰকমৰ চীজ আছে হুজুৰ। মনোহাৰী ভী আছে,

নাগড়া জুতা ভী আছে, গাৱা ঘি, ছুৰী, কাটাৰী, লালটেন…”

“কিন্তু কাপোৰ নাই নহয় নে?”

“ৰাখলে কাপড়া ভী হ্‌বো চাহাব। মেহেৰবানী কৰকে…”

“মেহেৰবানীৰ উপায় নাই। চৰকাৰৰ হুকুম……”

“আপ্‌নাতো চৰকাৰ আছে হুজুৰ। আপ্‌ থোৰা…”

“এইবোৰ কি? মই ভাল নাপাওঁ……”

“কৈ হৰ্‌জা নহী হুজুৰ। আপকা মৰ্জ্জি হোলে কৈ চালাকো খাতিৰ………”

“তোমালোকে মোক বিপদত পেলাবা দেখিছোঁ। যোৱা, কাইলৈ অফিচত খবৰ কৰিবা।”

আলী আকবৰে চালাম দি ওলাই আলি পালেগৈ। তাৰ পিছতে চাৰিজন মানক নিচিনিলোঁ। এজন এজনকৈ গৈ চালাম দি ফিৰৎ ডাকতে ওলাই গ'ল। তেওঁলোকক খঃ কৰি হুকুম দিয়া শুনিলো “মিছাতে জুলুম কৰিবলৈ আহিছা। অফিচলৈ যাবা। যি কবলগীয়া আছে তাতেহে শুনিম— ।”

“অফিচলৈ গ'লেও দেখা কৰিবলৈ সুবিধা নাপাওঁ হুজুৰ। প্ৰায় এসপ্তাহ কাল নিতৌ অফিচৰ চোতালত পাঁচ ঘণ্টা কৈ বৈ থিয় হৈ থাকি থাকি……”

“নাপালে মই কি কৰিম? তোমালোকৰ কাৰণে অফিচতে ঘৰ পাতিম নে? ওলাই যোৱা।”

হাকিম প্ৰৱৰে দিনত এঘণ্টাৰ বাবেহে অফিচলৈ যায়। আৰু তাতে চহীবোৰ কৰোতে ঘণ্টাটো শেষ কৰি ওলাই আহে। আন-

বোৰ কাম কৰিবলৈ সময় মুঠেই নাপাওঁ। সিহঁতকেজনে মিছাকৈয়ে চালামবোৰ অপব্যয় কৰিলে। লাভৰ ভিতৰত ক'লা মুখৰ জোকাৰণি খাই কাপোৰৰ আশা পৰিহাৰ কৰি খোঁতা মুখ ভোতা কৰি বাহিৰ ওলোৱাতেই মই কেৰাণী বাবুক কলোঁ। "বোপা, মইনো আৰু কিমান সময় বৈ থাকিম? পাৰিলে......"

"আহক স্যৰ।" কেৰাণীয়ে মোক ভিতৰলৈ লৈ গ'ল।

ভিতৰ সোমাই অভ্যাসৰ বলতে মযে হাত তুলিলোঁ। মোৰ মুখলৈ চাই তেৰো হাতখন অলপ ডাঙি ক'লে "বহক স্যৰ। বহুত দিনৰ পাছত দেখা হ'ল। আপুনি হবলা মৰ্ণিংৱাথ কৰে?"

বোধহয় ভিজা চুলিবোৰলৈ চাই গা ধোৱা বুলি ভাবিলে। গাৰ চোলা-কাপোৰ ঘামৰ দাগ লাগি মটীয়া-হালধীয়া বৰণৰ হোৱাত তিতা যেন নেদেখি।

সঁচা কথাকে কওঁ বুলি মুখ মেলিলোঁ। "ৰাতিপুৱা আহোঁতে ......" মোৰ মুখ মেলাই থাকিল।

"ওঁ, বুজিছোঁ স্যৰ। ঘূৰি যোৱাতে বেলি হব বুলি ভাবি গা ধুই আহিছে। সদায় তাকে কৰিব পাৰিলে স্বাস্থ্য ভালে থাকে। মই এবছৰ মৰ্ণিংৱাথ কৰি বৰ হেল্‌দী হৈছিলোঁ, পিছে আজিকালি শুই উঠোতেই আঠ বাজে। সময়কে নাপাওঁ। পিছে আপুনি কেলেই আহিলে স্যৰ?"

"কিনো কম বোপা, মোৰ এইখনেই চুৰিয়া, ৰাইফৰ মেখেলা-চাদৰ এটাৰেই নাই। সাঁচনীয়াবোৰো ফালি শেষ হ'ল। ল'ৰা-ছোৱালীক..."

"কাপোৰৰ কথা এৰি অইন কিবা কথা আছে যদি পাতক স্যৰ। ত্ৰিশ লাখ মানুহৰ ভিতৰত আছিছে মুঠেই এশ পঞ্চাশ বেল কাপোৰ। আপুনিয়েই হিচাব কৰি দিয়কচোন স্যৰ. গাইপতি কিমান কৈ পাব পাৰে। আপুনিতো অঙ্কৰ মাষ্টৰ।"

সৰ্ব্বনাশ, অঙ্ক শিকাওঁ যদিও বেলত কিমান গজ কাপোৰ থাকে কব নোৱাৰোঁ। আগেয়ে জনাহেঁতেন মাৰোৱাৰী মহাজনক সুধি শিকি আহিব পাৰিলোহেঁতেন। উত্তৰ দিব নোৱাৰি মূৰ খজুৱাবলৈ ধৰিলোঁ।

তেৱেঁই উত্তৰটোকো দিলে "ভাগত পৰিব মুঠেই এবেগত কৈ স্যৰ। তথাপি আমি ডাঙৰক ডেৰগজ আৰু সৰুক এগজকৈ বিলাবলৈ দোকানবোৰত দিছোঁ। বেয়া হৈছেনে স্যৰ?"

ভাল বেয়াৰ হিচাবটো সতকাই দিব নোৱাৰি লাজ পালোঁ। তথাপি মৰণত শৰণ দি এবাৰ গালোঁ..."কিন্তু বোপা মোৰ দুৰৱস্থাটোলৈ চাই স্পেচিয়েল......"

"এহ্ ভাল কথা কৈছে স্যৰ, স্পেচিয়েল পাৰমিট দিবলৈ আমি কাপোৰ মুঠেই ৰখা নাই। তাৰোপৰি আপোনাৰতো নাই বুলিলেও তথাপি এযোৰ আছেই, বহুতৰ যে সিয়ো নাই। আপোনাতকৈ কিমান বেছি দুৰৱস্থাৰ মানুহ আছে, কাপোৰ নাপাই হাহাকাৰ কৰিব লাগিছে, কিমান ক'ম স্যৰ।" তেওঁৰ কথা শুনি মনটো এনেহে লাগিল যে লগত এখন কাপোৰ থকাহেঁতেন দান কৰি গলোহেঁতেন।

কি উত্তৰ দিম ভাবিছোঁ। অজ্ঞাতসাৰে হাতখন জেপত

সুমুৱাই দিলোঁ। তাকে দেখি হাকিমে খঙেৰে ক'লে "কি ? আপুনি মোক অপমান কৰিব খোজে নেকি ? ইয়াৰ পৰা কি প্ৰমাণ হয় ?"

ভয়ে ভয়ে কলোঁ—"তেনে কথা নেভাবিবা বোপা, এই যুদ্ধৰ দিনত আমাৰ নিচিনা খাবলৈ নোপোৱা মানুহৰ সংখ্যা তাকৰ নহয়। সম্বল আছিল মুঠেই ছটকা ৰূপ। তাৰে এটকীয়া কাকত তিনিওখনেই বৰষুণত তিতি গেলি গ'ল। এয়া চোৱা" বুলি গেলিযোৱা নোট তিনিখন উলিয়াই টেবিলত থলোঁ। নোট বুলি চিনিব নোৱাৰা হৈছে। নোটৰ দৰে অন্তৰখনো গেলি গ'ল। শোকতে মুখৰ মাত নোহোৱা হ'ল।

মোৰ অৱস্থা দেখি হবলা হাকিমৰ দয়া উপজিল। "এঃ আপুনি ইমান অসাৱধান নে স্যৰ ? চাওকচোন আজি কালিৰ দিনত......যি হবৰ হ'ল স্যৰ। মই আপোনাক দুগঞ্জ কাপোৰৰ স্পেচিয়েল পাৰমিট এতিয়াই issue কৰাই দিওঁ...কেৰাণীবাবু, এখেতৰ নামে..."

"কিন্তু দুগজ কাপোৰেৰে ম্...."

"এইবোৰহে অন্যায় কথা স্যৰ। আন মানুহ হোৱা হেঁতেন মই দেখাকে নকৰিলোহেঁতেন। আপুনি তাহানিকালৰ মাষ্টৰ..."

কওঁ বুলি ভাবিছিলোঁ—এৰা তাহানি কালতে পৰীক্ষা হলৰ পৰা উলিয়াই দিয়াহেঁতেন আজি এই কথা শুনিব নালাগিল হেঁতেন—কিন্তু নকলো। তাৰপৰা একে চাবেই উঠি আহি

চৰকাৰী আশি পালোঁ। চকুৰে এন্ধাৰ দেখিছোঁ। মূৰটো যেন তপত খোলা।

মনতে ভাবিলোঁ, হায় হায় মই ভুগজৰহে মানুহ। সকলো চিন্তা পৰিহৰি কেৱল ভুগজৰহে মূৰ্ত্তি ধ্যান কৰিছোঁ। মই হেন মানুহটো, যেন নিজেও ভুগজ হৈ পৰিলোঁ। ভুগজ ভুগজ কৈ খোজ দিছোঁ। সম্মুখৰ সকলো বস্তুকে ভুগজ দেখিছোঁ। ভুগজৰ বাহিৰে আন একোৱেই নাই। কেৱল ভুগজ ···ভুগজ···

অলপ দূৰ অহাৰ পাছতে শুনিলো "ছাৰ, এখন্তেক ৰ'ব শুনক ছাৰ—"

শুনিও নুশুনিলো। ভৰিৰ বেগ ভুগজ বঢ়াই দিলোঁ। উভতি চাবলৈ মন নগ'ল। হেঁপাই ফোঁপাই আহি কেৰাণী বাবুৱে আগভেতি ধৰি কলে "এয়া আপোনাৰ ৰূপ তিনি টকা আৰু পাৰমিট লওক ছাৰ।"

"নেলাগে বোপাই, ফিৰাই নি তোমাৰ ভুগজীয়া হাকিমকে দিয়াগৈ। নোটও নচলিব আৰু ভুগজ কাপোৰেৰে—"

হাঁহিমাৰি কেৰাণীয়ে কলে "ভুগজ নহয় ছাৰ। হাকিমৰ ভুগজৰ লগতে ময়ো ভুগজ দিছোঁ। ইয়াৰে আপুনি······"

"হৈছে বোপাই, তোমাৰ হাকিমো ভুগজ কেৰাণীও ভুগজ। দিনো ভুগজ, নিশাও ভুগজ। পৃথিৱীখনেই ভুগজ। ব্যাস ব্যানাৰ্জ্জি সকলো ভুগজ। চন্দ্ৰ, সূৰ্য্য, তৰা, নক্ষত্ৰ সকলো

ডুগজ। ডুগজতে সকলোৱে বৈ আছে, ডুগজতে সকলোৱে ঘূৰিব লাগিছে। গোটেই বিশ্বব্ৰহ্মাণ্ডখনেই ডুগজ। ডুগজৰ বাহিৰে ডুনীয়াত দীঘল বস্তু নাই...”

বাধা দি তেওঁ কলে “আগেয়ে মোৰ কথাষাৰ শুনক স্যাৰ, হাকিমৰ ডুগজৰ লগত মই ডুগজ দিয়াত বাইশ গজ হ’ল স্যাৰ ইয়াৰে নিশ্চয়......”

“কি ক’লা বোপা, পাটীগণিতখনো ডুগজ হ’ল হবলা ? দুইএ দুইএ চাৰিহে........”

“কিন্তু একেলগে লিখিলেহে চাৰি হ’লহেঁতেন স্যাৰ। হাকিমে লিখিলে আগত, কিন্তু মই কেৰাণীয়ে হাকিমৰ লগত কেনেকৈ দিম স্যাৰ ? এতেকে তেওঁৰ লগত দিব নোৱাৰি পাছফালে মোৰ ডুগজ লগাই দিয়াত বাইশ গজ হৈ পৰিল স্যাৰ !”

তথা লাগি তেওঁৰ মুখলৈ চাই ৰ’লো। কিন্তু তেওঁৰ সময় তাকৰ। তিতা নোট আৰু পাৰমিট মোৰ জেপত সুমুৱাই দি নমস্কাৰ কৰি গুচি গল।

দৈন্য, বিষাদ, খং, হৰ্ষ, হিংসা, দ্বেষ এই সকলোবে সমাবেশত মগজু শেষ হোৱাত একোকে বুজিব নোৱ’বি ডুগজৰ ফৰমূলাটোকে ভাবি অঙ্কৰ মাষ্টৰী এৰি দিমনে নিদিম তাকে চিন্তা কৰি কৰি ডুগজ ডুগজকৈ আহি যেতিয়া স্কুলৰ ডুৱাৰমুখ পালোঁ, দুটা পিৰিয়ড পাৰ হৈ গৈছে।

বিচাৰ

—এক—

উকীল বানাৰ্জ্জীয়ে ৰাতিপুৱা শুই উঠি মুখ-হাত ধুই বেৰৰ ওপৰত আঁৰি থোৱা ৺কালীমূৰ্ত্তিৰ ছবিখনলৈ ভক্তিভৰে হাতযোৰ কৈ সেৱা জনাই বাহিৰ চ'ৰালৈ গৈ ডাঙৰ ডাঙৰ চাই আইনৰ কিতাপ কেইখনমান উলিয়াই আনি মেজত সজাই থৈ চকীখনত বহিল। মক্কেলৰ অভাৱত অইনক নাপাই আইনকে খুচৰিবলৈ ধৰিলে। অলপ সময়ৰ পাচত বোম্বাই, মাদ্ৰাজ, কলিকতা আদিৰ digestবোৰ হজম কৰি কিতাপবোৰ পূৰ্ব্বস্থানতে ৰাখি —বোধহয় আইনবোৰ তেতিয়াও হজম নহৈ গুৰুপাক হোৱাত —পেটটো পিহিবলৈ ধৰিলে। তাৰ পিছত উগাৰ দুটামান মাৰি থিয় হ'ল।

এনেতে পদূলিমূৰত মানুহে চিঞৰা শুনিলে "টাটকা মুৰী লাগে—এ·· এ···এ···"

বানাৰ্জ্জীয়ে তাক ভিতৰলৈ মাতি নি নগদ দু-অনাৰ মুৰী কিনি মা দুৰ্গা বুলি তাৰে দুগাল চোবাই পানী এগিলাচ পি আকৌ চ'ৰাত বহিলহি। তেতিয়াও কোনো নহা দেখি টেবিলৰ ওপৰত থকা বিড়ী এটা জ্বলাই লৈ কেইহোপামান মাৰি মনে মনে গাবলৈ ধৰিলে "আহ মক্কেল আহ, বিড়ী দিম মুৰী দিম গোচৰত জিতাই দিম, মোৰ ওচৰলৈ লৰি লৰি আহ···"

এনেতে মাল কঢ়িওৱা লৰী মটৰ এখন আহি পদূলিত ৰ'ল। ড্ৰাইভাৰৰ ওচৰত বহি অহা ধনপৎ মহাজনে মটৰৰ খুটি ডালত দুয়ো হাতেৰে ধৰি বৰপেটটো নমাই লৈ মাটিত থিয় দিলে।

ভিতৰত উকীল বাবুৱে উচ্চাৰণ কৰিলে "মা, কালী···মা ···আ···আ······"

দল্‌দপ্‌ কৰে মেদিনী কঁপাই ধনপতে পট্‌পট্‌ কৰে উকীলৰ চ'ৰাত সোমাই দূৰৈৰ পৰাই ৰাম ৰাম কৰিলে।

বানাৰ্জ্জীয়েও উঠি গৈ ৰামনাম গাই তেওঁক আদৰি আনি কলে "বহক, বহক বাবু চাহাব।"

টেবিলৰ ওচৰত থকা আধাভগা চকী দুখনলৈ চাই ধনপতে দুখ মনেৰে ক'লে "আপনাতো বাহিবাৰ কৈছা, উকীল বাবু, লেকিন হামি ঐ কুচ্চিমে ক্যায়চে বৈঠেগা···যদি ···"

তেওঁৰ মনত ভাব বুজি পাই উকীলে উত্তৰ দিলে "ভাগিবলৈ ভয় কৰিছে যদি আপুনি মোৰ চকীখনতে বহকহি। মই তাৰে এখনত বহোঁ।

মহাজনে আগুৱাই গৈ উকীল বহা চকীখনত বহিবলৈ চেষ্টা কৰি দেখিলে যে তেওঁৰ জয়ঢোলটো চকীৰ হেণ্ডেলৰ মাজেৰে কোনো মতে নোসোমায়। বিফল মনোৰথেৰে তাৰপৰা উলটি আহি একালে থকা খাতখনতে বহি কলে "হামিলোকে গদ্দীমে বহি আৰাম পাউ—উকীল বাবু, এই খাতমে অচ্চা হ'বো।"

গূঢ়াৰ্থটো বুজি মিচিকিয়া হাঁহি এটা মাৰি বানাৰ্জ্জীয়ে সুধিলে "আপুনি ৰাতিপুৱাতে আহিলে দেখোন বাবু চাহাব?"

"হামাৰ বহুত বিপদ হৈছে উকীল চাহাব। হামাৰ ৰবভাই গণপৎজীকো চালালোগ গেৰেপ্তাৰ কৰি লিছে।"

"কোনে? কেতিয়া কি দোষত গেৰেপ্তাৰ কৰিলে ধনপৎ বাবু? মই এতিয়ালৈ শুনাই নাই দেখোন?"

দুখ মনেৰে ধনপতে উত্তৰ দিলে "আজ্ ভোৰ চাৰে চাৰ বাজিমে পুলিচকা নিচপেক্টৰ যা কৰ গেৰেপ্তাৰ কৰি লিছে, বাবু চাহাব। দোষ কুছ্ নাহি, হামলোগকা লৰীমে একশো টিন সঁৰচাঁকা তেল বোজাই দে কৰ ভাইজী ড্ৰাইভাৰকা চাথ বহিছিলা। উচি বখত নিচপেক্টৰ বাবু ঔৰ তেওঁৰ চাথমে দুচৰা পুলিচ আহি....."

"এশ টিন তেল লৈ নো আপোনাৰ ভাইজী কলৈ যাব খুজিছিল ধনপৎ বাবু?"

"কাহাঁ যাবো চাহাব? কৈ দোচৰা দোকানমে বিক্ৰী-কোৰাস্তে......"

"কিন্তু আন দোকানত বেচিবলৈ পুৱতী নিশা চাৰে চাৰি বজাত এশ টিন তেল মটৰত তুলি নিবলৈ কি প্ৰয়োজন আছিল, বাবু? তেনে সময়ত নো কোন দোকানীয়ে তেল কিনিবলৈ বৈ আছিল? আপুনি সঁচা কথা নকলে আপোনাৰ কেচ ভাল নহব। মই কৈ থলোঁ, বাবু চাহাব।"

"আচ্ছা চাহাব, আপনাকে হামি সত্য কহিবো। ওহি তেল নগাওঁ মে ভেজিবৰ ৰাস্তে ঐচা কৰিছিলে। লেকিন কৈ চালা দুচমন, চালা পুলিচ লোগকে খবৰ দিছে। হামাৰ তেল ভী

লিছে ঔৰ চালালোক হামাৰ ভাইজীকো ভী...আপ্‌না আভী জামিনমে ভাইজীকো খালাচ কৰি মামলামে তেল ভী খালাচ কৰি দিবাৰ লাগিবো, উকীল চাহাব।”

অলপ সময় ভাবি বানাৰ্জ্জীয়ে কলে “চাওঁ চিগাৰেট এটা দিয়কচোন, লগত আছে নে?”

“হা হা, চাহাব আছে। এই পাকিট হামি আপ্‌নাকে দিবো বলিয়া আনিছে, লেকিন হামি ভুলি গৈছে, চাহাব।”

চিগাৰেটত দীঘল হোপা কেইটামান মাৰি উকীলে ক'লে “কিন্তু কেচ বৰ টান ধনপৎ বাবু। হাতে হাতে ধৰা পৰিছে, আকৌ ইনস্পেক্টৰে নিজে এৰেষ্ট কৰিছে। তাৰোপৰি হাকিমজন বৰ ষ্ট্ৰিক্ট—জামিনত খালাচ দিয়া টান।”

“আপ্‌না কি ভাবিছা চাহাব, হামি চালা ঐছাই বহি আছে? হামি হাকিমকা পাছ ভী গৈছে আউৰ নিচপেক্‌টৰকো ভী ঠিক কৰিছে।”

“কিন্তু বৰ চাহাব? আজি কালি এইবোৰ কেচত বৰচাহাবৰ হুকুম নহলে জামিন নলব।”

“হা চাহাব হামি শুনিছে, হাকিম ভী ঐছা বাং কহিছে। লেকিন আজকাল কোন চালা বৰ চাহাব আছে? হামিলোক চব জানে। আগাৰিকা চাহাব চব চালা চলি গৈছে, উকীল বাবু। আজকাল যো লোক বৰ চাহাব হৈছে উচি লোগকো কৈ পৰোৱা নাহী, হামি কহিছে। চব চালা ৰূপীয়াকা নোকৰ আছে। তব ভী হামি বৰ চাহাব কা পাছ ভী যাবো। ঔৰ দৰকাৰ

হোবো তো হামি দচ, পনৰো হাজাৰ খৰচা ভী কৰিবো আপনা হামাকে চব বাতলাই দিবা, চাহাব।"

"মোক নো কব লাগিছেনে? মই সকলো ৰকমে চেষ্টা কৰিম আৰু কি কৰিব লাগে দিহা দি থাকিম। আপোনা-লোকৰ কাম কৰি সুখ আছে। সকলোৰে মুখত সোপা দিবলৈ আপোনালোকৰ জোখাৰে কেৰে নাই। মোৰপৰা অকণো ত্রুটি নহয় জানিব।"

"চাবাছ, উকীল বাবু, চাবাছ। আপনা হামাৰ চাথে আহোক, আভী আপনাকে পান্‌শো ৰূপীয়া হামি দিবো। ঔৰ কাম হোনেচে যেংনা হোয় পিছাৰি দেখা যাকে।"

দুয়োজনে ওলাই গৈ লৰীত উঠিল।

—দুই—

বাবুর্চিয়ে চাহ-জলপানৰ আটাইবোৰ আহিলা-পাতি আনি টেবিলত সজাই দি আঁতৰি গৈ পৰ্দ্দাৰ আঁৰত বৈ থাকিল। মেমচাহাবে পিয়লা দুটা ওচৰলৈ টানি আনিলে।

এনেতে লৰালৰিকৈ ৰবচাহাব বৰ ব্যস্ত ভাবে সোমাই আহি ভিক্ষা খুজিলে—"দিয়া, দিয়া মেমচাহাব, অনুগ্রহ কৰি সোনকালে দিয়া। চাহকণ খায়েই এতিয়াই আকৌ ওলাই যাবগৈ লাগে।"

"কেলেই আকৌনো ক'লৈ উধাতু খাই উৰিবলগীয়া হ'ল ?"

"কনফিডেন্চিয়েল মিটিং এখন আছে ৰেভিনিউ মিনিষ্টাৰৰ ঘৰত। পাচ বজাৰ আগেয়ে হাজিৰ হবই লাগিব।"

জলপান একাহি—চাহাবী ভাষাত এক প্লেট-সজাই, আগ-বঢ়াই দি নিজৰ ভাগত একাহি ৰাখি চাহ ডুপিয়লা ৰাকি, মেমচাহাবে সুধিলে "সিদিনাৰ পেটাল মহাজনটোৰেনো আজি আকৌ কেলেই আহিছিল? জামিনত খালাচ বিচাৰি হবলা ?"

"কাৰ কথা সুধিছা" বুলি চাহাবে চাহ এঢোক পি আকৌ কলে "অ' ধনপন্তৰ কথা? তাৰ কথা নুলিগাবা মেমচাহাব। তোমাৰ কথা শুনি ৰূপ চাৰি হেজাৰ হেৰুৱালোঁ।"

"মোৰ মনেৰে হেৰুওৱা নাই। ভালেই কৰিছে।" অকল মুনাফাখোৰেই নহয়, সি চোৰাং কাৰবাৰী গতিকে দেশ-দ্ৰোহী। দেশ-দ্ৰোহীয়ে শাস্তি পোৱাতে উচিত। ৰাইজে খাবলৈ তেল এটোপা চকুৰে নেদেখে আৰু সিহঁতে চোৰাং কৈ নি আন আন ঠাইত বেচেগৈ। ৰূপ হেৰুৱালেও আপুনি ৰাইজৰ আশীৰ্ব্বাদ পাব নহয।"

মুখৰ টোপোলাটো গিলি বৰ চাহাবে দুখ মনেৰে ক'লে "কিন্তু ৰাইজৰ উপকাৰ হ'ল ক'ত? মই জামিনত খালাচ নিদিয়া দেখি সি মোক চেৰাই পোনেই ৰাজধানী পালেগৈ। তাতে বোধহয় আৰু কেই হেজাৰমান বেছিকৈ ঢালি জামিনৰ অৰ্ডাৰ লৈ আহিল। এতেকে চোৰা সিও খালাচ পালে আৰু ৰাইজৰ উপকাৰ হওক ছাৰি অপকাৰ হে হ'ল।

বৰ আচৰিত হৈ মেম চাহাবে সুধিলে "অপকাৰ হ'ল কেনেকৈ ?"

"এই সাধাৰণ কথাটো নুবুজিলানে ? কওঁ শুনা—প্ৰথমতে বাইজৰ ময়ো এজন, এতেকে মোৰ চাৰি হেজাৰ হেৰাল। তাৰ পিছত শুনা—যিবোৰ ধন সি আৰু বেছিকৈ ভেঁটী দিলে সেইবোৰ নিজৰ ঘৰবৰপৰা দিব বুলি ভাবিছানে ? কেতিয়াও নিদিয়ে। আটাইবোৰ জনসাধাৰণৰ পৰাই তুলিব। এতিয়া বাইজৰ লোকচান হ'ল নে নহল চোৱা। সেয়েহে মই তোমাক কওঁ—বোলো মেমচাহাব হ'লে কি হব, স্ত্ৰী বুদ্ধি প্ৰলয়ংকৰী···; মোৰ ৰূপ চাৰি হেজাৰ···· "

হুমুনিয়াহ কাঢ়ি মেমচাহাবে মাত লগালে "ঐ আই, ঘটনা ইমান দূৰ পাইছেগৈ ? ৰূপৰ চিন্তা এৰি এতিয়া চাকৰীৰ চিন্তাহে ডাঙৰ হ'ল দেখিছোঁ। যোৱাবাৰ কাপোৰৰ চোৰাং বেপাৰী জনক খালাচ দিয়াত বাইজে গোৰগোৱাই উঠি টোকান জোকাৰিছিল। এইবাৰ আকৌ আপুনি খালাচ নিদিলত ওপৰৱালাই দিলে। এতেকে মোৰ মনেৰে······"

"তোমাৰ মনেৰে যি হওক নহওক, মই উভয় সঙ্কটত পৰিছোঁ। আই বুলিলেও লাগে সমাজৰ দোষ, তাই বুলিলেও লাগে গোসাঁনীৰ দোষ। খালেও দায়, নেখালেও মৰণ। এতেকে নেখাই মৰাতকৈ খাই মৰাহে যুগুত।"

"সম্প্ৰতি জামিনত খালাচ পালেও তাৰ মোকৰ্দ্দমাৰ বিচাৰ হবলৈ এতিয়াও বাকী আছে নহয়। বিচাৰত নিশ্চয় তাৰ

জেল হব। তেতিয়া হলে তেলবোৰো চৰকাৰে নিশ্চয় বাজেয়াপ্ত কৰিব, নহয় নে বাৰু?” বুলি কৈ মেমচাহাবে একেথিৰে চাহাবৰ মুখলৈ চাই ৰৈ থাকিল।

হুমুনিয়াহ কাঢ়ি চাহাবে উত্তৰ দিলে “হুঁ—বিচাৰতো কি সোপাটো হব তাকো মই এতিয়াই কৈ দিব পাৰোঁ। কিন্তু নকওঁ, পিছতো শুনিবা। চাওঁ আৰু এপিয়লা চাহ দিয়াচোন!”

মেমচাহাবে আৰু এপিয়লা চাহ বাকি আগ বঢ়াই দিলে।

—তিনি—

তিনি মাহৰ মূৰত। শতৰি কাকতত বাতৰি ওলাল—ৰামহীন ৰামৰাজ্যৰ নমুনা—যোৰাকালি বাবু গনপৎৰায় ধনপৎৰায় ফাৰ্ম্মৰ চোৰাং তেলৰ মোকৰ্দ্দমাৰ ৰায় দিলে। বিচাৰত আচামীয়ে বেকচুৰ খালাচ পাইছে।

ঘটনাৰ বিবৰণ এই—উক্ত ফাৰ্ম্মৰ প্ৰধান মালিক বাবু গনপৎ-ৰায়ে নিশা এশটিন মিঠাতেল মটৰ লৰীত তুলি আন ঠাইলৈ চালান দিবলৈ ওলোৱাতে পুলিচে তেল আৰু মানুহ উভয়কে জব্দ কৰে। আচামীক দুদিন পাছতে মাননীয় মন্ত্ৰীৰ হুকুম মতে জামিনত খালাচ দিয়া হয়।

উক্ত মোকৰ্দ্দমাৰ বিচাৰ তিনিমাহৰ মূৰত নিষ্পত্তি হয়। বিচাৰকৰ ৰায় এই—জব্দ কৰা এশটিন তেল পৰীক্ষা কৰি

পৰীক্ষকে বেছিকৈ চফা কৰা লিনচিদ তেল (Highly purified Linseed oil) বুলি চাৰ্টিফিকট দিয়াত আচামীৰ বিৰুদ্ধে অনা গোচৰ সমূলি মিছা আৰু ভিত্তিহীন প্ৰমাণ হল। তেলখিনি আচামীক ঘূৰাই দিবলৈ হুকুম দিয়া হৈছে।

আমি নিৰ্ভৰযোগ্য সূত্ৰে জানিব পাৰিছোঁ যে উক্ত তেলখিনি আচামীয়ে সম্প্ৰতি দিনৰ পোহৰতে চালান দিব। আচামীৰ পক্ষে মিঃ বানাৰ্জ্জী উকীল আছিল।

(সম্পাদক)

কালীপূজা
১৩৫৪

অসমাপ্ত

– এক –

—বুজিছ কলিমন, দেশখন তেনেই গ'ল। বুৰিলে, বুজিছ? একেবাৰে ডুবি গ'ল।

—হয়নে দেউতা? উস্‌ৰাম। এই বহাগ মাহত বানপানী হ'লনেকি?

—বানপানী নহয় অ—,তোতোকৈ ডাঙৰ বুজিছ? অৰ্থাৎ...

—ওঁ বুজিছোঁ দেউতা, ভূইকঁপহে হ'ল। কোন ফালেনো...

—এঃ নহয় অ', আমাৰ এই দেশখন ৰসাতললৈ গ'ল। মুখৰ ফালে চাইছ কি? অলগৰ্দ্ধ, সাধাৰণ কথা এটাও বুজিব নোৱাৰ, গাধ। বোলো বিদেশীয়ে আহি তেনেই ভৰি পৰিল, শুনিছ—? চুকে-কোনে এচিকতা মাটিও নোহোৱা হ'ল। আলিয়ে-পদূলিয়ে অসমীয়া মানুহ পাবলৈ আৰু মাতকথা শুনিবলৈ টানেই হ'ল। ফেৰীৱালাৰপৰা মিলৱালালৈকে আটাইবোৰ বিদেশী। অথচ আমাৰ মানুহৰ আত্ম-চেতনা নাই, আত্মসন্মান নাই। দেশৰ প্ৰতি জাতিৰ প্ৰতি কৰ্ত্তব্যবোধ-হীন, নিলজ্জ, বুজিছ? সিহঁতৰ পৰাই বস্তুবাহানি কিনি খায়, সিহঁতৰ পেট মোটা কৰি দিয়ে। যিবোৰে নিজ দেশত দুবেলা দুমুঠি খাবলৈ নাপাই কলমলাই ঘূৰি ফুৰিছিল, আজি ইয়ালৈ আহিয়েই প্ৰথমে ফেৰীৱালা তাৰ পাছত কুটিৱালা, তাৰপৰা মিলৱালা মহাজন, অৱশেষত মেম্বাৰ ষ্টেট্‌লাৰচ্‌ এছোছিয়েশ্যন্‌।

—এৰা দেউতা, হওতে সেই কথা সঁচা। আমাৰ মানুহে ঘৰে ঘৰে ফেৰী কৰিবলৈ লাজ পায়। আৰু ডা-ডাঙৰীয়া মানুহ সৰেও হাতত টোপোলা লৈ বজাৰৰপৰা বস্তু কঢ়িয়াবনে? সিহঁতে যেতিয়া ঘৰতে সস্তা দামত⋯

—এই কাৰণে জাতিটো ধ্বংস হব। যি জাতিৰ জাতীয়তা বোধ নাই, সপোনতো দেশৰ প্ৰতি কৰ্ত্তব্য আছে বুলি নাভাবে, সি জাতি ধ্বংস নহৈ কোন হব? ধ্বংস হোৱাই উচিত। ই জাতিক ধ্বংসৰ মুখৰপৰা কোনেও ৰাখিব নোৱাৰে।

—কি কৰিলেনো আমাৰ ৰক্ষাৰ উপায় হয় দেউতা?

—তাকো নুবুজনে হতভগা---? কওঁ শুন---আজি সকলোৱে প্ৰতিজ্ঞা কৰক নিজে অসমীয়া বুলি, জাতিৰ আৰু দেশৰ প্ৰতি কৰ্ত্তব্য জ্ঞান জাগ্ৰত কৰি শপত গ্ৰহণ কৰক যে আমি⋯⋯

(বাহিৰত ফেৰীৱালাই মাতিলে, কমলা বা,⋯⋯⋯
কমলা চাই⋯⋯⋯⋯⋯)

–চাচোন কলিমন, কোনে মাতে⋯⋯

–কমলা বেচিব আনিছে, দেউতা।

–ইয়ালৈ মাতি আন।

(কলিমনে ওলাই গৈ কমলাৱালাক মাতি আনিলে)

–কি দৰে বেচিছ কমলা? বাৰু আঠোটা ললে কিমান পইচা লবি?

–যোৰা তিন আনা বাবু। চাৰ যোৰাতে বাৰো আনা লাগবে।

–কি কইলে! বাৰ আনা!! ডকাইতি কৰিতে আইছ?

ছপইচা যোৰা পাওৱা যায়। আচামে মগেৰ মুল্লুক পাইছ ? আমি আজকে বৰো চাহাবকে দৰখাস্ত কৰিয়া চৰ কেৰীৱালাকে এই-খান থেকে খেদিয়া দিবাৰ বন্দবস্ত কৰিবো।

—না বাবু, এমন কথা বোলবেন না। আপনি কিছু কৰ্‌তে পাৰবেন না। আচ্ছা আপনি কমলা নিতে চানতো চাৰ যোৰা আষ্ট আনা দিয়া ৰাখেন, ওৰ কম দিতে পাৰব না বাবু।

—বাৰু কলিমন, মাতি আনিলি যেতিয়া ৰাখ। সৌ মেজৰ ওপৰত পইচা আঠ অনা আছে, তাক দে।

(পইচা লৈ কমলা বেপাৰীৰ প্ৰস্থান)

—এৰা, কি কৈছিলোঁ কলিমন ? আগেয়ে বাৰু নে ভিতৰত দি আহগৈ যা। আঠজনী ছোৱালীৰ এটাকৈ ভাগত পৰিব। পিছে মই কি কৈছিলোঁ.....?

—দেশখনৰ মানুহে শপত......দেউতা......

—অ—হয়, এৰা, বাৰু শপতৰ কথা থাওক। কওঁ শুন-সিহঁতক এতিয়া পাকিস্থান লাগে বুজিছ ? অসমখন পাকিস্থান কৰিহে এৰিব।

—একো বেয়া কথা নহয় দেউতা। এই গেলাপচা দেশখন যদি পকাবন্ধা কৰি পকিস্থান কৰিব পাৰে......

—হোপলেচ, তোৰ দ্বাৰা নহৈছে, যা যা, ধপাত এচিলিম

(বাহিৰত – সুমথিৰা লবনে ?)

—এঃ ৱ তোৰ সুমথিৰা, দেউতাই এতিয়াই কমলা বাখি...

—চুপ্‌ কৰ, কলিমন। আন মাতি আন, আগৰকিটা ছোৱালী

জাককে লাগিব। আমাৰ কাৰণেও দুটা ৰাখোঁ। হেৰ' কেনেকৈ দিছ ?

—দুঅনা যোৰা দেউতা।

—কেলেই, দুঅনা কি কাৰণে ? আগৰপৰা আহিব নোৱাৰিছিলি কেলেই ? এই কাৰণেই আমাৰ একো নহল। জাতিটোৱে পিছপৰা। ই জাতিৰ উন্নতি কেতিয়াও নহয়—হব নোৱাৰে। আটাইবোৰেই কানীয়া, ভঙুৱা, সোৰোপা। ইজাতি ধ্বংসৰ মুখত—নোৱাৰে ৰব নোৱাৰে। যাওক—শুন, এযোৰ দে, ছপইচা পাবি, বুজিছ ?

—ভাল দেউতা, ৰাখক, আপুনি কৈছে যেতিয়া দিলোঁ— কিন্তু মোৰ কিনা দামহে হ'ল। পইচা দিয়ক দেউতা।

—বাৰু হওক যা কিনা দাম, আগৰপৰা কেলেই আহিব নোৱাৰ ? শুন ভঙা পইচা এতিয়া নাই। আজিৰ বাৰে অৰ্থাৎ ৰবিবাৰে পইচা লৈ যাবিহি। নে কলিমন, সুমথিৰা দুটা থৈ থপাত এচিলিম আন গৈ যা…

(ফেৰিওৱালা আৰু কলিমন ওলাই গ'লত)

গুণ গুণ কৰে গীত গাবলৈ ধৰিলে।

—অ' মোৰ অসমী আই, বিদেশীয়ে পেলালে খাই,

এইবাৰ তোমাৰ

উদ্ধাৰৰ উপায়

বিচাৰিয়ে পোৱা নাই……

(বাহিৰত মাতিলে—স্যাৰ ঘৰত আছেনে ?)

—দুই—

–কোন ? কমৰেড্ সকল নেকি ? আহা, আহা, বহা। কি বাতৰি আনিছা কোৱাচোন।

–বাতৰি কিটো আনিম স্যৰ ? আমাৰ কথা কোনেও নামানে। সকলোৱে নিজ নিজ স্বাৰ্থত মত্তলীয়া। দেশৰ কথা ভাবিবলৈ কাৰো সময় নাই। তদুপৰি আমি পেটত গাঁঠিদি দেশৰ কাম কৰিব নোৱাৰোঁ স্যৰ। খাবলৈ ভাত নাই, পিন্ধিবলৈ কাপোৰ…

–হব, বন্ধুসকল সকলো হব। তোমালোকে মুক্তিৰ আগ-বণুৱা–নিৰ্ভীক বীৰ সৈনিক। তোমালোকে যদি এইদৰে হতাশ হোৱা তেনেহলে, সকলো পণ্ড হব। ধৈৰ্য্য ধৰা, খোৱা পিন্ধাৰো ব্যৱস্থা হব আৰু……

–কিন্তু চকুৰ আগতে দেখি শুনিও ধৈৰ্য্য ধৰি থাকিব পাৰিনে স্যৰ ? এই সিদিনা যিবোৰ ভলণ্টিয়াৰ আছিল আজি সেইবোৰেই পালি নেতা, দালাল। দালালী কৰি বেঙ্ক-বেলেঞ্চ বঢ়োৱাৰ লগে লগে নিজৰ চেহেৰাকো চিকুণ কৰিছে। আৰু বাইজৰ মাজত জাকত জিলিকা হৈ উঠিল।

—তোমাৰ কথা নুবুজিলো, কমৰেড……

—বুজিবলৈ একো টান কথা নহয় স্যৰ। এই দালাল বোৰেই ওকালতিও কৰে—অৱশ্যে ল পাছ নকৰা উকীল। কিন্তু নিয়মিত ফীজ লৈ অমুকক চাকৰি, তমুকক ঠিকা, এজনক লাইচেঞ্চ আন জনক পাৰমিত ইত্যাদি বিলায় দিয়ে। তাকো বিদেশীয়ে বেছিকৈ পায়। কবলৈ হলে এই দালালবোৰক উকীল নধৰিলে

" ন্দি কালি চৰকাৰৰ পৰা খুদকণ এটাও আশা কৰিব নোৱাৰি স্যৰ।

—হুঁ—ৰসাতললৈ যাব। জাহান্নামলৈ যাব। আত্মসন্মান আৰু জাতীয়তা জ্ঞানবিহীন গণ্ডমূৰ্খ এই নেতাবোৰৰ বংশধৰসকলে ভৱিষ্যতে নিজৰ অস্তিত্ব হেৰুৱাই বিদেশীৰ পদ লেহন কৰা কামত আত্ম-নিয়োগ কৰিব লাগিব। কিন্তু বন্ধুসকল, ই জীৱন মৰণৰ সন্ধিক্ষণ। এনে অৱস্থাত আমি হাত সাৱটি বহি থকা উচিত নহব। গৰুৱে ময়লা খালে বুলি ঘোৰাই কেতিয়াও নেখায়। আমাৰ ঐকান্তিক যত্নত আমি পৰ্ব্বত প্ৰমাণ বাধাও হেলাৰঙে পাৰ হৈ যাম। আজি ইমান দিনে ফুটা-ঢোল কোবা-ইছোঁ, কাৰো কাণত নাবাজিল। মৃত্যুৰ পূৰ্ব্বে ধ্বংসৰ আগমুহূৰ্ত্তত আকৌ এবাৰ চেষ্টা কৰি চাম। মিটিঙৰ কিবা সুবন্দবস্ত কৰিব পাৰিলানে কমৰেডসকল?

—কৰিছোঁ স্যৰ। পৰহিলৈ বিৰাট ৰাজহুৱা সভাৰ বন্দবস্ত কৰিছোঁ। তাত তিনি চাৰিখন মান মৌজাৰ মানুহ গোট খাবহি। সভাপতিৰ বাবে আপোনাকো অনুৰোধ কৰি চিঠি লিখি দিছে স্যৰ। এগা চিঠি লৈ ইয়াৰ উপৰিও সমহ বাইজৰ তৰফৰপৰা ৰ কামৰ বাবে ধনৰ টোপোলা এটাও উপহাৰ দিব, স্যৰ।

—ধন্যবাদ বীৰ সৈনিক সকল। তোমালোকৰ অসাধ্য কাম একোৱেই নাই। তোমালোকৰ যত্নতে আমি অসাধ্য সাধন কৰিম। দেশৰ কামো হব আৰু লগতে তোমালোকৰ অন্ন-বস্ত্ৰৰো সমস্যা সমাধান হব।

—তেনেহলে আমি উঠিলোঁ হে স্যৰ। পৰহিলৈ ৰাতিপুৱাতে মটৰ লৈ আহিম। আপুনি সাজুহৈ থাকিব সাৰ। সোনকালে গ'লেহে ঠিক সময়ত হাজিৰ হবগৈ পাৰিম।

(প্ৰস্থান)

—তিনি—

—শুনিছ কলিমন? মিটিং হব, অৰ্থাৎ ৰাজহুৱা সভা, বুজিছ? আজি মই নগলেই নহয়। দেশত ইমানবোৰ মানুহ আছে কিন্তু আন কাকো সভাপতি নাপাতি মোকেহে বাচিছে। দেশৰ পক্ষে ই এটা শুভ লক্ষণ।

—কিন্তু দেউতা আইদেউক এনেকুৱা বিপদ অৱস্থাত পেলাই থৈ…

—একো বিপদ নহয় কলিমন। ইয়াৰ আগেয়ে আঠজনী ছোৱালী উপজিছে। এবাৰো কোনো অপায় অমঙ্গল হোৱা নাই। বিশেষকৈ লেডী ডাক্তৰ মিচেচ সেন আৰু ধাই উপস্থিত আছে। পুৰণি মানুহ।

—কিন্তু দেউতা আইদেৱে কৈছে বোলে যদি ল'ৰা উপজে তেনেহলে আপোনাৰ… ..

—যদি কিহৰ? এইবাৰ ল'ৰা হবই। সিদিনা ভট্টাচাৰ্য্য বাপুৱে গণনা কৰিও তাকেই কৈছে। কিন্তু তথাপি মই ঘৰত বহি থাকিব নোৱাৰোঁ। কাৰণ আজিৰ মিটিঙত গোটেই জাতিৰ ভবিষ্যত নিৰ্ভৰ কৰিছে। যি ল'ৰা হব তাৰো ভবিষ্যত—

—ডাংগৰীয়া ক'ৰবাত যাবাৰ ওলাইছে নেকি?

(ডাঃ মিচেচ্ সেন সোমাই আহিল)

—এৰা বুজিছেনে, আজি সাতখন মৌজাৰ মানুহে গোটখাই মিটিং এখন পাতি মোক সভাপতি বৰণ কৰিছে। নগলে উপায় নাই। আপোনালোক আছে যেতিয়া মোৰ কোনো চিন্তা নাই—নহয় নে

—হয় ডাংগৰীয়া, চিন্তাৰ কাৰণ নাই। মোৰ কাম হৈ গ'ল। মোৰ ফীজখিনি দি গ'লে ভাল হয়।

—কি? ইতিমধ্যে ল'ৰা উপজিলেই নে?

—হয়, কিন্তু ল'ৰা নহয় ছোৱালীহে এজনী উপজিছে।

—উস্ কি ক'লে ছোৱালী? কিন্তু পৰহি গণক বাপুই ···আপুনি ভালকৈ চাইছেনে?

—চাইছোঁ ডাংগৰীয়া, কিন্তু কি কৰিব মা ৺কালীৰ ইচ্ছা, তেওঁৰ বিচাৰ আমি ক্ষুদ্ৰমতি·····

—কি মাকালীৰ বিচাৰৰ কথা শিকাবলৈ আহিছা? ক'ত মাকালী আছে? কিহৰ বিচাৰ? মিছা, সকলো মিছা···উস্ ৰাম ··এই ন-জনীক লৈ নজনী হ'ল। শুনিছ নজনী কলিমন—নজনী, বুজিছ? এই ন-জনীৰে সৈতে নজনী কলিমন···নজনী···নজনী···ন

—পিছে ডাংগৰীয়া, মোক বিদায় দিয়ক, মই···

—কি আমনিখন কৰিছা? যোৱা গুচি যোৱা। আগৰ আঠ-বাৰেও কুৰি টকাকৈ ৰূপ বাৰে বাৰে খাইছা। ইমানবোৰ অসমীয়া ভাল ডাক্তৰণী থকাতো বাৰে বাৰে তোমাক মাতোঁ, এইবাৰো

আকৌ ছোৱালীহে জন্মালাহি? এই দুখন ঠেতাহাতেৰে ডাক্তৰী কৰিবা, হৈছে। উস্‌....নজনী....মই তোমাৰ কথা বাতৰি কাকতে কাকতে লিখি তোমাক উস্‌ ন-জনীৰে সৈতে শুনিছ নকলিমনজনী....

—হয় দেউতা –

—হয় দেউতা? নহয় দেউতা, ন বদমাচজনী যা, ন ধপাতজনী আন গৈ যা ন্ ন্ ন্...

(কৰ্ম্মীসকল সোমাই আহিল)

—কোন? ন-কমৰে....জনী · অৰ্থা· ·ন···এহ্‌· ·ক্ ক্ কমবেড জ··জ্‌ সকল, ন্....আহা আহা ন—বহা। পিছে যাবলৈ নজ মানে সময় ন-হ'ল নে?

—হয় স্যৰ, এতিয়াই গ'লেহে ঠিক সময়ত মিটিং পোৱা যাব স্যৰ। আপুনি সাজু হৈছে নে?

—এৰা হয় ন্-ন্ নজনী কৈ বৈ-ভাৱমানে সাজু হৈ বৈ আছোঁ বুজিছা? বাৰু ব'লা মই ন যাব অৰ্থাৎ নজ মানে ন বজাত কিমান জনী দ্‌ৰ পাম গৈ?

—সেন্দুৰী আলি পামগৈ স্যৰ।

—ন্-ন্-ন্ কি নক'লা? নজনী আলি

—নজনী আলি নহয় স্যৰ

—অ'—, নজনী আলি, ভাল বাৰু হেৰ' ন কলিমন, আনচোন ন ধপাতজনী ·নজম মানে বেগাই আন।

—চাৰি—

(সভা মঞ্চত)

(সভাপতিৰ আসনৰ পৰা থিয় হৈ)

—উপস্থিত নজনী... ...অৰ্থাৎ ন-ভদ্ৰ মহিলা,

(যদিও সভাত মহিলা এগৰাকীও উপস্থিত নাছিল)

ভদ্ৰ মহোদয়, কমৰেড্ আৰু কৰ্ম্মীসকল—

ন্-আজি আপোনালোকে মোক এই ন্-বিৰাট ব্ৰতৰ ন-পুৰোহিতজনী পাতি যি নজ...সন্মান দেখুৱাইছে সি যথাৰ্থ ন্-উচিত, উপযুক্ত, সময়োপযোগী আৰু নজনী অৰ্থাৎ শুদ্ধ মনোবৃত্তিৰ পৰিচয় হৈছে ।

বন্ধুসকল, নজ্-দেশত আজি ন হাহাকাৰ উঠিছে। পৈশাচিক বৃত্তিৰ তাণ্ডৱ নৃত্যৰনজউল্লাসত অসমীয়া জাতি চেতনাহীন মৃতকল্প, আৰু লুপ্ত প্ৰায়। বৈদেশিক শোষকৰ চেপা আৰু বিদেশী অদম্য দুৰ্ব্বিত্তৰ আক্ৰমণৰ দুৰ্ব্বহ গ্লাণিত আজি নজনী অৰ্থাৎ কিবা বোলেনে আজি জনসাধাৰণ জনী প্ৰপীড়িত, নিপীড়িত, বেদনাৰ্ত্ত পদদলিত, গলিত, ললিত, ক্লীষ্ট, জড়, পঙ্গু, দীন, দৰিদ্ৰ নজনী হৈ অৰ্থাৎ নিবন্ন হৈ ত্ৰাহি ত্ৰাহি ক্ৰন্দনৰ আৰ্ত্তৰাৱ কৰিছে। এই ভীত নিৰুপায়, নিৰীহ, দলিত, মথিত, মূৰ্চ্ছিত কাতৰ নজনীৰ অৰ্থাৎ নজ...মানে কাতৰ জীৱৰ ..নী...আঁ...উ...মানে...বিননী কাৰোবাৰ চকুত পৰিছেনে? কাৰোবাৰ বুকুত বজ্ৰাঘাতৰ দৰে খুন্দা মাৰিছেনে? কাৰোবাৰ কৰ্ণকুহৰ নজনী অৰ্থাৎ ভেদ কৰিব পাৰিছেনে ?...নজ...বন্ধু ..নী...সকল...মই ন কওঁ...জন্ নাই...

নাই...কাৰো...বুকুত বজা নাই। চকুত পৰা নাই, কাণত স্পৰ্শ কৰিলেও মনত নজনী পৰা নাই।

তদুপৰি এতিয়াও নিতৌ ন-ন-নজনী হেজাৰে হেজাৰে ন আহিবই লাগিছে। এইদৰে আৰু কিছুকাল থাকিব লাগিলে গোটেই দেশ নজনীৰে অৰ্থাৎ বিদেশীৰে ভৰি পৰিব।

সমজুৱাসকল, শুনক, এই জীৱন-মৰণৰ সন্ধিক্ষণত কোনো-বাই নিজৰ নজনীৰ স্বাৰ্থ এৰি জাতিৰ উদ্ধাৰৰ বাবে দেহে-কেহে লাগি কিবা উপায় উদ্ভাৱন কৰিব পাৰিছেনে ? মই কওঁ...নাই...নাই ..নাই......।

ৰাইজসকল, আজি নজন্ অৰ্থাৎ দেশৰ আচল পৰিস্থিতি টোৰ গুৰুত্বৰ সমানে আত্মৰক্ষাৰ উপায় উলিয়াই অসমীয়া নজনী অৰ্থাৎ ৰাইজক সাজু কৰিবলৈ কোনোবাই অগ্ৰসৰ হৈছেনে ? নাই...নাই ..নাই...

আৰু শুনক, আমাৰ নজনীসকলে ৰাইজৰ দ্বাৰা প্ৰতিনিধি নিৰ্ব্বাচিত হৈ ব্যৱস্থাপক সভালৈ গৈ কি কৰিছে জানেনে ? যদি নাজানে—মই কওঁ শুনক, তেওঁলোকে নিজে ৰাজধানী নাইবা চহৰত থাকি গাৱেঁ ভূঞেও নজনী অৰ্থং পাণ্ডা পঠিয়াই নিজৰ দলগত স্বাৰ্থ পৰিবৰ্দ্ধন আৰু পৰিপুষ্ট কৰাই লৈ আসন একোখন ভোটৰ জোৰত দখল কৰি ৰাইজৰ ৰাজহ ভাগ কৰি খাইছে যদিও সৰ্ব্বসাধাৰণৰ দুখ-দুৰ্দ্দশা নিজ চকুৰে দেখা নাই। শুনিও শুনা নাই। তদুপৰি সকলোৱে নিজ নিজ স্বাৰ্থ আৰু নিজৰ নজনীৰ বাবে ডাঙৰ ডাঙৰ চাকৰি, ঠিকা, কাৰবাৰ আৰু চোবাং ব্যৱসায়

আদিৰ বাবে মহাব্যস্ত। দেশৰ পৰিস্থিতিৰ বিষয়ে ভাবিবলৈ সময় নাপায়।

যি সকল নজনীয়ে গুৱিয়াল অৰ্থাৎ মন্ত্ৰীৰ গাদী একোখন দখল কৰি ৰাইজৰ ৰাজহৰ ধনেৰে পৰিপুষ্ট আৰু পৰিতুষ্ট হৈছে আৰু পেটৰ পৰিধি বহল কৰিছে তেওঁলোকেও দলাদলিত পৰি নিজ কৰ্ত্তব্য বিস্মৰণ হৈ হীন গেলাপচা গপত নিচাত্মিকা অহং ভাবত স্তুপীকৃত আবৰ্জ্জনাৰ পাকত পৰি অন্ধ হৈ স্বাৰ্থৰ আকাঙ্ক্ষাত আত্মসন্মানক বলি দি আত্মঘাতী হৈ, জাতীয়তা-হীন গ্লানি কলুষ মূৰত লৈ বিৰূপ মনোভাবেৰে হীন স্বাৰ্থৰ মোনাখন পাতি লৈ নিলজ্জতাৰ পৰিচয় দিছে।

ইমানতো শেষ নহয়, ভাই সকল, এই নজনীবোৰৰ এজনে এদিন গাওঁৰপৰা যোৱা সজাতিদল এটাক কি সমিধান দিছিল কওঁ শুনক—প্ৰতিনিধিদলটো গৈছিল ফৰিঙে ধান খোৱাৰপৰা প্ৰতিকাৰ বিচাৰি। সকলো কথা শুনি মন্ত্ৰী প্ৰৱৰে গাঁৱে গাঁৱে একোটাকৈ বন্দুকৰ লাইচেঞ্চ দিবলৈ প্ৰতিশ্ৰুতি দিছিল আৰু কৈছিল বোলে তাৰেই যেন ফৰিং মাৰি নিফৰিঙীয়া কৰে। তেওঁৰ অনুমান, ফৰিংবোৰ কপৌ চৰাইৰ সমানে ডাঙৰ হব। ধিক্‌ধিক্‌···লাজ···লাজ··

(ৰাইজৰ মাজত হাঁহিৰ গুঞ্জন উঠিল)

শুনক—শুনক—নজনীসকল, এতিয়াৰপৰা আমি আত্মৰক্ষাৰ বাবে নিজেই সাজু হব লাগিব। আমাৰ অস্ত্ৰ নাই যদিও পূৰ্ব্ব পুৰুষসকলৰ উগ্ৰ-বীৰ্য্য আমাৰ গাত বৰ্ত্তমান। দা, জোং, লাঠি,

জাতি যাৰ যি আছে তাৰেই আমি এই দুৰ্দ্দম্য বিদেশীৰ অত্যাচাৰ ৰোধ কৰিব লাগিব।

(বক্তৃতাত তন্ময় হৈ)

আজি নিজ নিজ ক্ষুদ্ৰস্বাৰ্থ বলি দি নজনীয়ে নজনীৰ ডিঙিত ধৰি সাবোটা-সাবোটিকৈ একে লগে ফেৰ পাতি ওলাব লাগিব। নিজৰ তুচ্ছ ক্ষুদ্ৰ প্ৰাণ বিসৰ্জ্জন দিয়ো দেশৰ নজনীক ৰক্ষা কৰিব লাগিব। আজি আমাৰ সমুখত নজনী বহুত। আৰু বহি থাকিবৰ নজনী নাই। এতেকে নজনীসকল আজি উত্তিষ্ঠত, জাগ্ৰত, প্ৰাপ্য, নজনীবোধত ·

(ৰাইজে ভাবিলে নজনীটো সভাপতিৰ মুদ্ৰা দোষ)

আৰু শুসক নজনীসকল ··

(দহজনমান মানুহে ব্যস্ত ভাবে লৰি আহি সভাত সোমাই চিঞৰিবলৈ ধৰিলে)

—বোপাইহঁত ঔ···কাটিলে ঔ মাৰিলে ঔ···তিনি চাৰিখনমান গাঁওত চকুৰা সোমাই এফালৰপৰা ঘৰত জুই দি ল'ৰা তিৰোতা-বোৰক কাটি মাৰি উছন কৰিলে ঔ···গৰু-গাই সকলোকে লুটিপুতি লৈ গ'ল। এইবাৰ সিহঁতে বাক্সৰ দৰে এই ফাললৈ চোঁচা লৈছে ঔ মৰিলে। ঔ····

(সভাৰ মানুহে মাৰিলে ঔ···কাটিলে ঔ···বুলি চিঞৰি উৰ্দ্ধশ্বাসে পলাবলৈ ধৰিলে।)

—কোনো ভয় নাই নজনীসকল। আমি উদ্ধত দুৰ্ব্বৃত্ত পাষণ্ড-হঁতক দমন কৰিম। সকলোৱে দলবদ্ধ হোৱা। দা, জোং,

লাঠি, জাঠি, যেয়ে যিহকে পোৱা লৈ সাজু হোৱা। মই গুৰিয়াল হৈ তোমালোকৰ পাছে পাছে যাম……

(চৰাই চিৰিকতি-ভাগি যোৱাদি সকলোৱে পলাই যোৱাত সভাস্থলত কোনো নাই)

—কমৰেডসকল, ইমান কোৱা সত্বেও ইহঁতে সিংহৰ পোৱালী হৈও শিয়ালৰ দৰে নেজ কোঁচাই পলাল! ই নজনীৰ ৰক্ষা নাই। ই-নজনী নজনী হব। ধ্বংস হোৱাই উচিত।

আমিনো কেলেই ইয়াতে বৈ চকুৱাৰ হাতত নজ……প্ৰাণবোৰ হেৰুৱাওঁ? এতেকে বেগেতে ব'লা বাটতে নজন …অৰ্থাৎ পুলিচক বাতৰিটো কৈ আমাৰ নজ কৰ্ত্তব্য শেষ কৰোঁ গৈ। আজিৰ ন্ সভা জনী ইমানতে ন-জ-অ-স-মাপ্ত হ'ল।

—সমাপ্ত—

প্ৰেমনাৰায়ণৰ

অদ্বিতীয়, অভিনৱ' অৱদান

মনমোহা

সামাজিক উপন্যাস

নিয়তিৰ নিৰ্ম্মালি

পকাবন্ধা ৰমকজমক সাজপাৰেৰে ছপা হৈ ওলাল।

মূল্য—চাৰে তিন টকা

'পা-ফু' চিৰিজ ১০

মাধমাৰ..................দুটকা

জেৰিয়া গাঁভি—ছপা হব ধৰিছে

মণি মাণিক প্ৰকাশ